# অসমৰ ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ ভৌতিক-সংস্কৃতি

ডিব্রুগড় বিশ্ববিদ্যালয় স্নাতক তৃতীয় বৰ্ষৰ ষষ্ঠ যান্মাসিকৰ অসমীয়া
**DSE-3(H)** কাকতৰ বাবে প্ৰস্তুত কৰা ক্ষুদ্ৰ গৱেষণা প্ৰকল্প ।

মণিকা বড়া


তত্বাৱধায়ক
ড° বৰ্ণালী শইকীয়া
সহকাৰী অধ্যাপিকা
অসমীয়া বিভাগ

প্ৰস্তুতকৰ্তা
মণিকা বড়া
স্নাতক তৃতীয় বৰ্ষৰ
ষষ্ঠ যান্মাসিক
অসমীয়া বিভাগ
**Roll No - 30810116**
**Registration No-S1921666**



নন্দনাথ শইকীয়া মহাবিদ্যালয়, তিতাবৰ, যোৰহাট
ইং-২০২২ বৰ্ষ


Scanned by CamScanner

# অসমীয়া বিভাগ
# নন্দনাথ শইকীয়া মহাবিদ্যালয়
তিতাবৰ, জিলা- যোৰহাট, অসম, পিন- ৭৮৫৬৩০

প্ৰসঙ্গ নং.........

তাৰিখ ঃ ০৭০৭.২০২২

**প্ৰমাণ পত্ৰ**

শ্ৰীমতী মণিকা বড়া স্নাতক ষষ্ঠ ষান্মাসিক কলা শাখাৰ (বিশ্ববিদ্যালয়ৰ ৰোল নম্বৰ ঃ ৩০৮১০১১৬) ৰ ছাত্ৰী। তেওঁ ড° বৰ্ণালী শইকীয়াৰ তত্বাৱধানত **DSE-2(H)** পাঠ্যক্ৰমৰ অন্তৰ্গত প্ৰকল্প কাকতৰ **"অসমৰ ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ ভৌতিক সংস্কৃতি"** বিষয়ত গৱেষণা কাৰ্য সম্পন্ন কৰি প্ৰকল্পটিৰ এটি প্ৰতিবেদন প্ৰস্তুত কৰিছে।

গৱেষণা প্ৰকল্প কাৰ্যত তেওঁৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰিলোঁ।

মৃণালী তাপাচুং

বিভাগীয় প্ৰধান
অসমীয়া বিভাগ,
নন্দনাথ শইকীয়া মহাবিদ্যালয়,
তিতাবৰ।

Head
Department of Assamese
Nanda Nath Saikia College
Titabar

Scanned by CamScanner

অসমীয়া বিভাগ
নন্দনাথ শইকীয়া মহাবিদ্যালয়, তিতাবৰ
স্থাপিত ঃ ১৯৫৯
প্ৰমাণ-পত্ৰ

তাং ঃ ০৭-০৭-২০২২

শ্ৰী/শ্ৰীমতী মণিকা বড়া স্নাতক কলা শাখাৰ ষষ্ঠ ষান্মাসিকৰ (ৰোল নং -30810116), (Registration No-S1921666) ছাত্ৰ/ছাত্ৰী। তেওঁ মোৰ তত্ত্বাৱধানত DSE-2(H) পাঠ্যক্ৰমৰ অন্তৰ্গত প্ৰকল্প কাকতৰ বাবে “অসমৰ ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ ভৌতিক সংস্কৃতি” বিষয়ত গৱেষণা কাৰ্য সম্পন্ন কৰি প্ৰকল্পটিৰ এটি প্ৰতিবেদন প্ৰস্তুত কৰিছে। তেওঁ সম্পূৰ্ণ নিজা অধ্যয়নৰ জৰিয়তে এই প্ৰতিবেদন দাখিল কৰিছে।

গৱেষণা কাৰ্যত তেওঁৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিলোঁ।

বৰ্ণালী শইকীয়া
তত্ত্বাৱধায়ক
অসমীয়া বিভাগ
নন্দনাথ শইকীয়া মহাবিদ্যালয়, তিতাবৰ।

Department of Assamese
Date
..............

Scanned by CamScanner

# কৃতজ্ঞতা জ্ঞাপন

"অসমৰ ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ ভৌতিক সংস্কৃতি" - এটি সমীক্ষাত্মক অধ্যয়ন শীৰ্ষক গৱেষণা গ্ৰন্থখন ড° বৰ্ণালী শইকীয়া বাইদেউৰ তত্ত্বাৱধানত প্ৰস্তুত কৰিবলৈ প্ৰয়াস কৰা হৈছে।

বিষয়বস্তু নিৰ্বাচনৰ পৰা গৱেষণা বিষয়ক বহুমূলীয়া দিহা-পৰামৰ্শৰ লগতে বিভিন্ন সমস্যাসমূহ সমাধনত ড° বৰ্ণালী শইকীয়া বাইদেউৱে সম্পূৰ্ণ সহযোগিতা আগবঢ়ালে যাৰ বাবে তেখেতৰ প্ৰতি আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

তিতাবৰ নন্দনাথ শইকীয়া মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ তথা ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ অন্যতম সংগঠক ড° যোগেশ্বৰ বড়া ছাৰৰ সহায়ে এই গৱেষণা কাৰ্যত যথেষ্ট অৰিহণা যোগালে।

গৱেষণা গ্ৰন্থৰ বাবে বিভিন্ন তথ্য সম্পৰ্কে সম্ভেদ দি মোৰ গৱেষণা গ্ৰন্থত সহযোগিতা আগবঢ়োৱা তিতাবৰ ২ নং বেবেজীয়া কছাৰী গাঁৱৰ ভুবন বড়া আৰু সুচিত্ৰা কছাৰীকো ধন্যবাদ জনালোঁ।

মোৰ গৱেষণা কৰ্মৰ বাবে আগবঢ়োৱা অনুমতি প্ৰদান কৰা নন্দনাথ শইকীয়া মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সমূহ কৰ্মকৰ্তাক ধন্যবাদ জনালোঁ।

ডি.টি.পি.ত সহায় কৰা মুনমী দত্ত (মামী) গৱেষণাৰ ক্ষেত্ৰ অধ্যয়নৰ বাবে বিভিন্ন ঠাইলৈ লগত যোৱা আৰু কিতাপ পত্ৰ দি সহায় কৰা মোৰ মৰমৰ বান্ধৱী মিতালী দত্ত, সুস্মিতা বড়া, শিৱানী শইকীয়া, মানসী কছাৰী আৰু গৱেষণা কাৰ্যত আৰম্ভণিৰে পৰা সহায়-সহযোগিতা আগবঢ়োৱা মা, দেউতা, ভাইটি, মামাৰ ওচৰত চিৰকৃতজ্ঞ হৈ ৰ'লো।

মণিকা বড়া
মণিকা বড়া

Scanned by CamScanner

## সূচীপত্ৰ


| অধ্যায় | বিষয় | | পৃষ্ঠা |
|---|---|---|---|
| | কৃতজ্ঞতা জ্ঞাপন | | |
| | তত্ত্বাৱধায়কৰ প্ৰমাণ পত্ৰ | | |
| | বিভাগীয় প্ৰধানৰ প্ৰমাণ পত্ৰ | | |
| | প্ৰস্তাৱনা | | |
| **প্ৰথম অধ্যায়** | | | |
| ১.০০ | ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ পৰিচয় | ঃ | ১-৬ |
| **দ্বিতীয় অধ্যায়** | | | |
| ২.০০ | ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ ভৌতিক সংস্কৃতি | ঃ | ৭-১৭ |
| ২.০১ | ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ লোকশিল্প | ঃ | ৭ |
| ২.০২ | ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ লোককলা | ঃ | ১১ |
| ২.০৩ | ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ লোকস্থপতিবিদ্যা | ঃ | ১৩ |
| ২.০৪ | ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ লোক ৰন্ধন প্ৰকৰণ | ঃ | ১৪ |
| | সিদ্ধান্ত | ঃ | ১৮ |
| | উপসংহাৰ | ঃ | ১৯ |
| | প্ৰসঙ্গসূচী | ঃ | ২০ |
| | গ্ৰন্থপঞ্জী | ঃ | ২১ |
| | তথ্যদাতাৰ তালিকা | ঃ | ২২ |


Scanned by CamScanner

# প্ৰস্তাৱনা

**০.০১ পৰিচয় আৰু পৰিসৰ ঃ-**

অসমত জনগোষ্ঠী জনগাঁথনিৰ ফালৰ পৰা ভূ-স্বৰ্গস্বৰূপ। প্ৰাচীন কালৰে পৰা অসমত বাৰেবৰণীয়া জনজাতি লোকসকলে বসবাস কৰি আহিছে। এই জনজাতিসমূহে নিজা বৈশিষ্ট্যৰে অসমত নানান বৰঙণি আগবঢ়াই আহিছে। অসমীয়া সমাজত বৰঙণি আগবঢ়োৱা জনজাতিসমূহৰ ভিতৰত কছাৰী সকলো অন্যতম। মঙ্গোলীয় প্ৰজাতিৰ পৰা উদ্ভৱ হোৱা কছাৰীসকলৰ সাংস্কৃতি জীৱন অসমীয়া সাংস্কৃতিক জীৱনৰ লগত ওতঃপ্ৰোতভাৱে জড়িত। ঠেঙ্গাল কছাৰীসকলৰ নানান সংস্কৃতিসমূহৰ ভিতৰত তেওঁলোকৰ ভৌতিক সংস্কৃতিও অন্যতম। ভৌতিক সংস্কৃতি হ'ল মূলতঃ লোকসমাজত প্ৰচলিত পৰম্পৰা আৰু ৰক্ষণশীল ঐতিহ্যৰ পৰিসৰে সামৰি লোৱা মৌখিক কলা-কৌশল, পাৰদৰ্শিতা, পদ্ধতি আদিৰ বহিঃপ্ৰকাশ। ভৌতিক সংস্কৃতিত এফালে ৰক্ষণশীল পৰম্পৰা আৰু ব্যক্তিগত পৰিবৰ্তন– এই উভয়ে ক্ৰিয়া কৰি থাকে। সেয়ে "অসমৰ ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ ভৌতিক সংস্কৃতি"– শীৰ্ষক বিষয়টোৰ ওপৰত এই গৱেষণা পত্ৰখনিত পৰিচয়সহ আলোচনা কৰা হৈছে।

অসমৰ সংস্কৃতিৰ এটি গুৰুত্বপূৰ্ণ অংগ ঠেঙ্গাল কছাৰীসকলৰ সংস্কৃতিৰ কিছু কিছু পৰিবৰ্তন ঘটিছে যদিও তেওঁলোকৰ জীৱনৰ লগত জড়িত থকা বিভিন্ন ৰীতি-নীতিক সাৰটি ৰাখি নিজা সংস্কৃতিক ঐতিহ্যমণ্ডিত কৰি ৰাখিছে। "অসমৰ ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ ভৌতিক সংস্কৃতি" বিষয়টিত আলোচনা কৰিবলগীয়া মূল বিষয়সমূহ হ'ল– ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ লোকশিল্প, লোককলা, লোকস্থপতিবিদ্যা, লোকৰন্ধন আদি বিষয়সমূহ গৱেষণা পত্ৰখনিত অধ্যয়ন কৰা হ'ব।

**০.০২ লক্ষ্য আৰু উদ্দেশ্য ঃ-**

ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ বিচাৰ-বিশ্লেষণ যে এইয়ে প্ৰথম তেনে নহয়। পূৰ্বতে বহুকেইজনে ঠেঙ্গাল কছাৰীৰ ওপৰত গৱেষণা গ্ৰন্থৰ কাম সম্পূৰ্ণ কৰিছে। তাৰোপৰি দুই-এগৰাকী প্ৰচেষ্টাত এই ঠেঙ্গাল জনগোষ্ঠী সম্পৰ্কে ভিন ভিন সময়ত বাতৰি কাকত আলোচনীত আলোচনা কৰা হৈছে যদিও সেয়া জনগোষ্ঠীৰ সম্পৰ্কে জানিবলৈ পৰ্যাপ্ত নহয়। এই গৱেষণা পত্ৰৰ যোগেদি ঠেঙ্গাল কছাৰীসকলে আগবঢ়োৱা নানান অৱদান, ৰন্ধন প্ৰকৰণ এনে অন্যান্য দিশসমূহ আলোচনা কৰা হ'ব। তাৰোপৰি ভৌতিক সংস্কৃতিৰ লগত জড়িত লোকবিশ্বাসসমূহৰ লগত জড়িত অন্যান্য দিশসমূহ আৰু সেই দিশসমূহৰ লগত জড়িত লোকবিশ্বাসসমূহৰ লগতে হেৰাই যাব খোজা সম্পদৰাজিৰ সংৰক্ষণৰ উদ্দেশ্য আগত ৰাখি অসমৰ ঠেঙ্গাল কছাৰীসকলৰ ভৌতিক সংস্কৃতিৰ বিষয়ে গৱেষণা পত্ৰখনিৰ পাতনি মেলা হৈছে।

**০.০৩ গৱেষণা পদ্ধতি ঃ-**

গৱেষণা পত্ৰখনি প্ৰস্তুত কৰোঁতে বৰ্ণণাত্মক আৰু বিশ্লেষণাত্মক পদ্ধতি গ্ৰহণ কৰা হৈছে। তথ্য সংগ্ৰহৰ বাবে ক্ষেত্ৰ অধ্যয়ন কৰা হৈছে যদিও এই গৱেষণা কাৰ্যত সকলো অঞ্চলৰ সকলো লোককে সামৰি ল'ব পৰা নহ'ল। গৱেষণাৰ বাবে প্ৰয়োজনীয় তথ্য পাতি বিভিন্ন প্ৰকশিত গ্ৰন্থ, পুথি, আলোচনী, স্মৃতিগ্ৰন্থ, ইণ্টাৰনেট আদিৰ পৰাও তথ্য গ্ৰহণ কৰা হৈছে।

**০.০৪ গৱেষণাৰ ক্ষেত্ৰ ঃ-**

বৰ্তমানে ঠেঙ্গাল কছাৰীসকল অসমৰ উজনিত বসবাস কৰি আছে। যোৰহাট, গোলাঘাট, শিৱসাগৰ, ডিব্ৰুগড়, লখিমপুৰ, দৰং, শোণিতপুৰ, কাৰ্বিআংলং, শোণিতপুৰ, তেজপুৰ জিলাত ঠেঙ্গাল

Scanned by CamScanner

কছাৰীসকলে বসবাস কৰি আছে। এই জিলাসমূহৰ ভিতৰত যোৰহাট জিলা ঠেঙ্গাল কছাৰীসকলৰ মূল বসতিস্থল। ঠেঙ্গাল কছাৰীসকলৰ বসতিৰ অঞ্চললৈ লক্ষ্য ৰাখি অধ্যয়নৰ সুবিধাৰ্থে যোৰহাট জিলাৰ তিতাবৰ অঞ্চলক প্ৰধান ক্ষেত্ৰ হিচাপে নিৰ্ধাৰণ কৰা হৈছে।

**০.০৫ বিষয়বস্তুৰ পূৰ্বকৃত অধ্যয়ন ঃ-**

ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ ভৌতিক সংস্কৃতি সম্পৰ্কীয় গৱেষণালব্ধ অধ্যয়ন বৰ্তমানলৈকে যথেষ্ট কম। ঠেঙ্গাল জনগোষ্ঠীটোৰ পৰিচয় মূলক অধ্যয়ন "অসমৰ ঠেঙ্গাল কছাৰীৰ ইতিবৃত্ত"শীৰ্ষক নন্দ বৰাৰ দ্বাৰা ৰচিত গ্ৰন্থখনহে পোৱা যায়। ঠেঙ্গাল জনগোষ্ঠীৰ সমাজ সংস্কৃতিমূলক প্ৰবন্ধ নিচেই কম যাৰ ফলত গৱেষণা গ্ৰন্থখন প্ৰস্তুত কৰোঁতে হাতপুথি হিচাপে দুখন কিতাপ লোৱা হৈছে- মুকুট শৰ্মাৰ দ্বাৰা ৰচিত ঠেঙ্গাল কছাৰী জীৱন আৰু সংস্কৃতি, সদৌ অসম ঠেঙ্গাল কছাৰী সংগঠনৰ দ্বাৰা প্ৰকাশিত মুখপত্ৰ ঠেঙ্গাল দৰ্পণ (২০০২, ২০০৯, ২০২২).

সামগ্ৰিক ৰূপত ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ বিভিন্ন বিষয়ক লৈ পদ্ধতিগত অধ্যয়নৰ অভাৱ পৰিলক্ষিত হয় যদিও বৰ্তমান সময়ত কেইখনমান গৱেষণা গ্ৰন্থ প্ৰস্তুত হৈছে। গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ত গৱেষণা সমাপ্ত কৰাসকল হ'ল- কৈলাশ দত্ত, বৰ্ণালী চেতীয়া, বৰ্ণালী শইকীয়া, বিনীতা দাস, জ্যোতিকা বৰা, মুনমী গগৈ আদি।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ লোকসংস্কৃতি গৱেষণা বিভাগত গৱেষণা কৰা গৱেষক কৈলাশ দত্তৰ বিষয় হ'ল "Ethmicity and Folklore: A Study Among the Thengal Kacharis of Assam." গ্ৰন্থখনিত কছাৰী জনগোষ্ঠীৰ মূল, জনসংখ্যা, সামাজিক জীৱন, সাংস্কৃতিক বৈশিষ্ট্য, সাংবিধানিক অৱস্থান, ভাষা-সাহিত্যৰ বিশ্লেষণ পোৱা যায়।

বৰ্ণালী চেতিয়াই আধুনিক ভাৰতীয় ভাষা বিভাগত "অসমৰ ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ সামাজিক আৰু সাংস্কৃতিক জীৱনঃ এটি সমীক্ষাত্মক অধ্যয়ন" শীৰ্ষক বিষয়ত গৱেষণা গ্ৰন্থ প্ৰস্তুত কৰিছে। এই গৱেষণা গ্ৰন্থখনত ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ সামাজিক আৰু সাংস্কৃতিক জীৱনৰ পৰিচয় দাঙি ধৰা হৈছে।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰপৰা বৰ্ণালী শইকীয়াই প্ৰস্তুত কৰা গৱেষণা গ্ৰন্থখনৰ বিষয় হ'ল- "অসমৰ ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ সমাজ-সংস্কৃতিত নাৰীৰ ভূমিকাঃ পৰম্পৰা আৰু পৰিবৰ্তন"। এই গৱেষণা গ্ৰন্থখনত ঠেঙ্গাল জনগোষ্ঠীৰ সামাজিক- সাংস্কৃতিক জীৱনত নাৰীৰ অৱদান, ভৌতিক সংস্কৃতিত নাৰীৰ ভূমিকা, লোকপৰিৱেশ্যকলাত নাৰীৰ ভূমিকা, সামাজিক লোকাচাৰত নাৰীৰ ভূমিকা, নাৰীসকলৰ মৌখিক সাহিত্যৰ ওপৰত বিশ্লেষণ পোৱা যায়।

বিনীতা দাসে বুৰঞ্জী বিভাগৰ পৰা "The Life and Culture of the Thengal Kacharis of Upper Assam" শীৰ্ষক বিষয়টোত গৱেষণা প্ৰস্তুত কৰিছে আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সমাজতত্ত্ব বিভাগৰ পৰা "The Thengal of Assam: A Socialogical study" বিষয়ত জ্যোতিকা বৰাই গৱেষণা গ্ৰন্থ প্ৰস্তুত কৰিছে তাৰোপৰি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ মুনমী গগৈয়ে সমাজতত্ত্ব বিভাগৰ পৰা এম. ফিল. ডিগ্ৰীৰ বাবে "Religious ceremonies of the Thengal Kacharis of Assam: A Sociological study in Jalukanibari Area of Jorhat District"- বিষয়ত গৱেষণা গ্ৰন্থ প্ৰস্তুত কৰিছে। এই গ্ৰন্থখনত ঠেঙ্গাল কছাৰীৰ ইতিহাস, সামাজিক ঐতিহ্য, ধৰ্মীয় উৎসৱ পাৰ্বণৰ দিশসমূহৰ অধ্যয়ন কৰা হৈছে।

Scanned by CamScanner

## প্ৰথম অধ্যায়

**১.০০ ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ পৰিচয়ঃ**

প্ৰাচীন কালৰে পৰা অসমত বাৰেবৰণীয়া জনজাতি লোকসকলে বসবাস কৰি আহিছে। সেইসকলৰ ভিতৰত বাস কৰি অহা মঙ্গোলীয় প্ৰজাতিৰ পৰা উদ্ভৱ হোৱা বড়ো গোষ্ঠীৰ অন্যতম সম্প্ৰদায় কছাৰীসকল এক সুকীয়া জনগোষ্ঠী। মঙ্গোলীয় গোষ্ঠীৰ আবয়িক বৈশিষ্ট্য হ'ল- গাৰ বৰণ পীতপিংগল, কেশ ক'লা, ডাড়ি- গোফ তাকৰ, শৰীৰৰ নোম কম, মুখমণ্ডল বহল আৰু নাক চেপেটা, হনুমান স্পষ্ট, নেত্ৰ ঠেক, নেত্ৰচ্ছেদৰ ভাঁজ মঙ্গোলীয়ৰ এটি বিশেষ লক্ষণ। বুৰঞ্জীবিদ আৰু পণ্ডিতসকলৰ মতে ডাঙৰ নদী বা পৰ্বতৰ দাঁতিকাষৰীয়া ঠাইত বসবাস কৰাৰ বাবে সংস্কৃত ভাষাত কিৰাতসকলক কক্ষৰাট বোলা হয়। কক্ষত > কচ্ছৰ লগত অৰি যোগ হৈ কচ্ছ + অৰি - কছাৰী নামৰ উৎপত্তি হয়।


অসমৰ ব্ৰহ্মপুত্ৰ উপত্যকাত বসবাস কৰা মঙ্গোলীয় গোষ্ঠীৰ এই কিৰাত বা কছাৰী লোকে নিজকে বড়ো বুলি অভিহিত কৰিছিল যদিও এই বড়োসকলক ভাৰতীয় আন আন আৰ্য হিন্দুসকলে বিভিন্ন সময়ত কিৰাত, স্লেচ্ছ কছাৰী নামেৰে অভিহিত কৰিছিল তথাপিও কছাৰী নামহে তেওঁলোকৰ প্ৰচলিত নাম। হেমকোষ অভিধানত "ঠেঙ্গাল সম্প্ৰদায়ৰ বিষয়ে "অসমৰ এজাতি আদিমবাসী কছাৰী" বুলি উল্লেখ কৰিছে।

খ্ৰীঃপূঃ ২০০০ বছৰ পূৰ্বে চীনৰ পৰা ভাৰতলৈ মঙ্গোলীয় গোষ্ঠীৰ লোকৰ প্ৰব্ৰজন ঘটে। ইয়াৰে কিছু লোক বৰ্তমান অসমৰ উত্তৰ-পূব আৰু উত্তৰ-পশ্চিম অঞ্চলেদি অসমত প্ৰৱেশ কৰিছিল। এই দুটা দিশেৰে অসমত প্ৰৱেশ কৰা মঙ্গোলীয়সকলে অসমৰ পূব-মধ্য আৰু পশ্চিমলৈকে বিভিন্ন শাখাত ভাগ হৈ বিভিন্ন নামেৰে পৰিচিত হয়। ৰেভাৰেণ্ড ছিদনী এণ্ডলৰ মতে, মঙ্গোলীয় গোষ্ঠীৰ কছাৰীসকলৰ প্ৰধানতঃ দুটা প্ৰব্ৰজনকাৰী দল দুটা দিশৰ পৰা ব্ৰহ্মপুত্ৰ উপত্যকাত প্ৰৱেশ কৰিছিল। এটা দল তিস্তা, ধৰলা সোণকোষ নদীৰ উপত্যকাৰে উত্তৰ-পূব বঙ্গ আৰু পশ্চিম অসমত প্ৰৱেশ কৰি 'কামৰূপৰ' দৰে শক্তিশালী ৰাজ্য স্থাপন কৰে। আনটো দল সোৱণশিৰি, দিবং আৰু দিহিং উপত্যকাৰে পূবলৈ অন্যান্য শাখাত বিস্তাৰিত হয়। এণ্ডলে ব্ৰহ্মপুত্ৰ নদীক বিশেষ বিভাজনকাৰী ৰেখা হিচাপে লৈ বড়ো গোষ্ঠীৰ লোকক দুটা ভাগত ভাগ কৰা হৈছে–

(১) উত্তৰ গোষ্ঠী

(২) দক্ষিণ গোষ্ঠী


এণ্ডলে ভাগ কৰা দুয়োটা গোষ্ঠীয়ে সামৰি লোৱা কছাৰীৰ বিভিন্ন শাখাসমূহৰ বিভাজন এনেধৰণৰ-






Scanned by CamScanner

ড° ভুবন মোহন দাসে উত্তৰ পূৱ ভাৰতৰ মঙ্গোলীয়ক এনেদৰে ভাগ কৰিছে-




গতিকে দেখা যায় যে অসমত বসবাস কৰি থকা কিৰাতসকল বড়ো মূলৰ পৰাই সমগ্ৰ অসমত বিয়পি পৰে। এই কছাৰীসকলক বেলেগ বেলেগ অঞ্চলত নামেৰে জনা যায়। বঙ্গদেশ আৰু হিমালয়ৰ নামনি অঞ্চলত মেচ, উজনি অসমত সোণোৱাল, ঠেঙ্গাল কছাৰী, পশ্চিম অসমত বড়ো কছাৰী, দক্ষিণৰ উত্তৰ কাছাৰ আৰু কাছাৰ জিলাত ক্ৰমে ডিমাছা আৰু বৰ্মন নামেৰে জনা যায়।

"প্লেফেয়াৰৰ মতে কছাৰীসকলৰ লগত মিল থকা গাৰোসকল তিব্বতৰ পৰা আহি গোৱালপাৰাইদি ব্ৰহ্মপুত্ৰত পাৰ হৈ গাৰো পাহাৰলৈ আহে। ৰাভা, হাজং, মেচ আদিয়ে কামৰূপ আৰু গোৱালপাৰাত বসতি কৰেহি। বড়োসকলৰ কিছুমানে দক্ষিণ পূবফালেদি আগুৱাই আহি উত্তৰ-কাছাৰত ডিমাছা নাম লয় আৰু অন্য এটা দলে পূবলৈ আগুৱাই আহি মধ্য অসমত লালুং নামেৰে প্ৰখ্যাত হৈ পৰে আৰু অন্য এটা দলে দক্ষিণ-পশ্চিম ফালে আহি ত্ৰিপুৰাত ত্ৰিপুৰী নাম লয়। এই বড়ো জনগোষ্ঠীৰ কিছুমান লোকে ৰাজ্য বিস্তাৰৰ কাৰণে পূবফালৰ উজনি অসমত আহি ঠেঙ্গাল, সোণোৱাল, ঝাৰুৱা নামেৰে জনাজাত হয়।"[১]

সূৰ্যকুমাৰ ভূঞাই তেখেতৰ সম্পাদিত "কছাৰী বুৰঞ্জীত" শদিয়াল আৰু হেড়ম্বিয়াল নামে কছাৰীৰ দুটা পৰিচয় দাঙি ধৰিছে। শদিয়াল ফৈদৰ বিশেষ ইতিহাস দিয়া হোৱা নাই কিন্তু হেড়ম্বিয়াল কছাৰীৰ দীঘলীয়া ইতিহাস এই বুৰঞ্জীখনত দিয়া হৈছে। কছাৰীসকলৰ ৰাজত্ব, ৰাজ্য প্ৰতিষ্ঠা, প্ৰসাৰ আৰু অন্যান্য ৰজাসকলৰ সৈতে সংঘাত সন্দৰ্ভত বুৰঞ্জীবিদ সূৰ্যকুমাৰ ভূঞাই অধিক বিৱৰণ দিছে।

অসমত অতীতৰে পৰা বসবাস কৰি থকা কছাৰী গোষ্ঠীৰ অন্য এটা ঠাল হ'ল- ঠেঙ্গালসকল। ঠেঙ্গালসকলৰ সন্দৰ্ভত তথ্য যথেষ্ট কম। কিংবদন্তী মতে, ১৫২৬ চনত আহোম আৰু কছাৰীৰ ধনশিৰিৰ পাৰত বহুতো ঠাইত দুয়োপাৰে তয়াময়া ৰণ হয়। সময়, সংঘাত আৰু জয়-পৰাজয়ৰ মাজেৰে হেড়ম্বিয়ালে কছাৰী ফৈদৰ দুৰ্দান্ত ধনুবিদ্যাত পাৰ্গত ডাঙবাহাদুৰ আৰু চক্ৰধ্বজ নামৰ দুজন যুৱকে কিছুমানে কছাৰী পৰিয়াল লগত হৈ দৈয়াং উপত্যকাৰ কাছমাৰী পথাৰত এখন ৰাজ্য প্ৰতিষ্ঠা কৰি ডাঙ বাহাদুৰ তাৰ ৰজা হয়। তেওঁৰ সৈন্য বিলাকক ঠেঙা পিন্ধি যুদ্ধ কৰিবলৈ দিছিল আৰু যুদ্ধত পিন্ধা ঠেঙা শান্তি পৰিৱেশতো পিন্ধি ফুৰা-চকা কৰাৰ কাৰণে তেওঁলোকৰ প্ৰজাক আৰু ডাঙ বাহাদুক ঠেঙ্গাল কছাৰী বুলিছিল।

প্ৰকৃতাৰ্থত ক'বলৈ হ'লে, ঠেঙ্গালসকল কাছমাৰী আৰু দৈয়াং উপত্যকাৰ অধিবাসী। কাছমাৰী অঞ্চলত ৰাজধানী স্থাপন কৰি ৰাজ্য শাসন কৰা সময়ৰ পৰা শদিয়াল আৰু হেড়ম্বিয়াল কছাৰীৰ মাজত হেড়ম্বিয়ালসকলেই 'ঠেঙ্গাল কছাৰী' নামেৰে পৰিচয় দিবলৈ সক্ষম হয়।



Scanned by CamScanner

প্ৰবাস অনুসৰি, কছাৰীসকলৰ এটা ফৈদ কুকুৰা ঠেঙেৰে মাটিত মঙ্গল চোৱা কাৰণে এই ফৈদটোক 'ঠেঙ্গাল কছাৰী' বোলে আৰু আন এটা প্ৰবাদ মতে, যুদ্ধলৈ যোৱা সৈনিক কছাৰীসকলে একোটা কুকুৰা ঠেঙৰ আৰ্হিত আল বান্ধি যুদ্ধলৈ গৈছিল। তাৰ পৰাই ঠেঙ্গাল শব্দৰ উৎপত্তি হয় বুলি কয়।

ত্ৰয়োদশ শতিকাত ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰে দিখৌৰ পৰা কলঙলৈকে ধনশিৰি উপত্যকালৈ উত্তৰ কাছাৰ জিলা পৰ্যন্ত যিসকল কছাৰী পোৱা যায় সেইসকলক তিনিটা ভাগত ভাগ কৰা হৈছে–

(১) ডিমাছা কছাৰী

(২) বৰ্মন কছাৰী

(৩) ঠেঙ্গাল কছাৰী

ডিমাছা কছাৰীসকলে নিজকে হিড়িম্বাৰ বংশৰ বুলি কয়। বৰ্মনসকলে নিজকে ভীমৰ বংশধৰ বুলি ভাৱে আৰু ঠেঙ্গাল কছাৰীসকলে নিজকে ভীমৰ পুত্ৰ ঘটোৎকচৰ বংশধৰ বুলি বিশ্বাস কৰে। ডিমাছা, বৰ্মন আৰু ঠেঙ্গাল কছাৰীসকলে নিজৰে একোটা পৰিয়ালৰ বুলি কৰা বিশ্বাসে তেওঁলোক যে একেটা মূলৰ পৰা জন্ম তাকেই প্ৰমাণ কৰে।

কছাৰীসকল যুদ্ধত পাৰ্গত আৰু সৈনিকসকলৰ 'ঠেঙ্গা' পৰিধান কৰা পদ্ধতিৰ পৰাই 'ঠেঙ্গাল' শব্দৰ উৎপত্তি হোৱা বুলি কোৱা হয়। বৰ্তমানে ঠেঙ্গাল কছাৰীসকলৰ মাজত মুঠ একৈশটা বংশ আছে। ঠেঙ্গাল ৰজা জং বাহাদুৰ কৰ্ম বিভাজনৰ ভিত্তিত ঠেঙ্গাল শব্দৰ প্ৰত্যেক কৰ্ম শ্ৰেণীত আল বা য়াল প্ৰত্যয় কৰি বংশ পৰম্পৰাৰ সৃষ্টি কৰিছিল। এই ঠালসমূহ হ'ল–

(১) হাজোৱাল–খেতিয়ক

(২) মাণিকিয়াল–মাণিক বোটলা লোক

(৩) মুক্তাল বা মুকুতিয়াল–মুকুতা সংগ্ৰহ কৰোঁতা

(৪) ডুৰুঙ্গিয়াল–নাওঁ সাজোতা আৰু বাওঁতা।

(৫) দলঙ্গিয়াল–দলং সাজোতা

(৬) সাঁকোৰিয়াল–সাঁকো দিওঁতা

(৭) হয়গিয়াল বা সৰগিয়াল ঘোঁৰা পোহা আৰু চলাওঁতা।

(৮) শুকৰিয়াল–গাহৰি পোহা লোক।

(৯) সুগৰিয়াল বা হুগ্ৰাল–সুগৰী পোহা লোক।

(১০) ব্যাঘ্ৰাল–বাঘ পোহা লোক।

(১১) কুমৰাল বা কুমাৰিয়া–মাটি পাত্ৰ গঢ়োতা।

(১২) কমাৰিয়াল–লোৰ কাম কৰা লোক।

(১৩) ডেক্ৰাল বা ঢেঁকীয়াল–ঢেঁকী সাজোতা আৰু ধান বনোতা।

(১৪) নাঙ্গাল–নাঙ্গলৰ যোগান ধৰোঁতা।

(১৫) লাঠীয়াল–বাঁহ কাঠৰ কাম কৰোঁতা।

(১৬) মেখেলিয়াল–মেখেলাকে ধৰি অন্যান্য বস্ত্ৰ তৈয়াৰ কৰোঁতা।

(১৭) নেগুৰিয়াল–ৰচি আদি তৈয়াৰ কৰা লোক।

(১৮) ডিঙ্গিয়াল–ডিঙ্গি মুচৰি জীৱ-জন্তু বধ কৰি পূজা-পাতল কৰা লোক।



Scanned by CamScanner

(১৯) ঢুলিয়াল–মাদল আৰু ঢোল তৈয়াৰ কৰোঁতা আৰু বনাওঁতা।

(২০) ফৰ্‌মাল–আহু খেতি কৰা লোক।

(২১) এজ্‌মাল–ৰজাৰ ঘৰত কাম কৰা, ৰজা ভঁড়াললৈ সামগ্ৰী সংগ্ৰহ কৰা লোক।

ঠেঙ্গাল কছাৰীসকল ৰজাৰ শাসনকালত অতিশয় দক্ষ আৰু সাহসী আছিল। যাৰফলত ঠেঙ্গাল কছাৰীসকলে সৈনিকৰূপে যুদ্ধত প্ৰায় শত্ৰুৰ বিৰুদ্ধে থিয় দিছিল। ঠেঙ্গাল কছাৰীসকলৰ ৰাজ্য যথেষ্ট উন্নত আছিল তাৰ প্ৰমাণ পোৱা যায় কাছমাৰীৰ পুৰণি কীৰ্তিস্তম্ভ সমূহৰ পৰা।

চক্ৰধ্বজ ৰজা হৈ থাকোতে কথিত আছে যে দেশখনত এটা ডাঙৰ ভূমিকম্প হৈছিল আৰু সেই ভূমিকম্পত কাছমাৰী ৰাজ্য পতন হৈছিল। সেই সময়ত বাসুদেৱ গোঁসাই নামৰ এজন লোকে তেওঁৰ সত্ৰত বৈষ্ণৱ ধৰ্মত শৰণ দি কছাৰীসকলক সংস্থাপন দিয়াৰ কথা চক্ৰধ্বজ ৰজাক প্ৰকাশ কৰিছিল আৰু তেওঁৰে দুই-এঘৰ মানুহ আনি শৰণ দি থাকিবলৈ মাটি-বাৰী দিছিল। শৰণ লোৱাসকলক মাটি-বাৰী দিছে জানিব পাই বহু ঠেঙ্গাল কছাৰী পৰিয়ালে ৰজাৰ অনুমতি লৈ কাছমাৰীৰ পূবে থকা ডাঙৰ নৈ এখনৰ পাৰত উপস্থিত হয়। পৰিয়ালবোৰে নিত্য প্ৰয়োজনীয় বস্তু বাহনীও লগত লৈ আনিছিল। বুঢ়ী এগৰাকীয়ে এৰী সূতাৰ চাপৰখিনি ঘৰত থাকি অহা লৈ নদীত কন্দা-কটা কৰি থাকোঁতেই নগাই নৈখনৰ বান্ধ কাটি দিয়াত নৈৰ নদীত কোৱাল সোঁতত কিছুমানে জীৱন ৰক্ষা কৰিলে আৰু বহুতো উটি গ'ল। তেতিয়া জীৱন ৰক্ষা কৰা সকলৰ কিছুমান সত্ৰলৈ গৈ সকলো ঘটনা গোঁসাইক কোৱাত গোঁসাইয়ে তেঁওলোকৰ আগৰ বৃত্তি অনুসৰি মানুহখিনিক ২১ টা ভাগ কৰি একো একোটা গোট কৰি বেলেগে বেলেগে শৰণ দি মাটি-বাৰীৰে সংস্থাপন দিয়ে। তেতিয়াই পৰা সেই নৈৰখনৰ নাম কছাৰীসকলৰ মাজত 'দৈয়াঙ-গবনায়' পানীত ডুবা নৈ অৰ্থত আৰু পাছলৈ দৈয়াং নৈ নামেৰে জনাজাত হয়। পূৰ্বৰে জংবাহাদুৰ কৰ্ম বিভাজনৰ বাবে নামকৰণ কৰা ২১ টা ভাগেই একো একোই বংশলৈ ৰূপান্তৰিক হয়। সেই বংশ পৰম্পৰা বৰ্তমান সময়লৈকে ঠেঙ্গালসকলৰ মাজত প্ৰচলিত হৈ আছে। ঠেঙ্গাল কছাৰীসকলে বসতি আৰম্ভ কৰা ঠাইখনৰ নাম হ'ল দৈয়াং। এই দৈয়াংৰ পৰাই উজনি অসমৰ বিভিন্ন ঠাইলৈ ঠেঙ্গালসকল বিয়পি পৰে।

ঐতিহাসিক বিৱৰণৰ পৰা অনুমান কৰিব পাৰি যে অসমৰ উজনি অঞ্চলৰ বিভিন্ন অঞ্চলত ঠেঙ্গাল কছাৰীসকলৰ অৱস্থান আছিল। তেওঁলোকৰ আদিম প্ৰব্ৰজন আৰু বসতি বিস্তাৰৰ ক্ষেত্ৰত দেখা যায়। যোৰহাট জিলাৰ দক্ষিণ নগা পাহাৰৰ এটা বৃহৎ অঞ্চল ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ লোকেৰে ভৰি আছে আৰু যোৰহাটৰ দক্ষিণৰ 'ঠেঙ্গাল মৌজা' নামৰ এটা ঘন বসতিপূৰ্ণ এলেকা আছে। উজনি অসমৰ শদিয়াৰ পৰা দৈয়াং, ধনশিৰি উপত্যকা আৰু নগাঁও পৰ্যন্ত কম-বেছি পৰিমাণে ঠেঙ্গালসকল বিস্তৃত হৈ আছে। মুখ্যতঃ ঠেঙ্গাল কছাৰীসকল যোৰহাটৰ তিতাবৰ মহকুমা, গোলাঘাট, শিৱসাগৰ, ডিব্ৰুগড়, লখিমপুৰ, কাৰ্বিআংলং জিলাৰ উপৰিও তেজপুৰ, শোণিতপুৰ, ধেমাজি আদি ঠাইত ঘন বসতিপূৰ্ণ ঠেঙ্গাল কছাৰীৰ গাঁও আছে।

ঠেঙ্গাল কছাৰীসকলে অতীতৰ পৰাই সমাজ পাতি বসবাস কৰি আহিছে। ঠেঙ্গাল কছাৰী সমাজ ব্যৱস্থা পুৰুষপ্ৰধান হিচাপে যৌথ পৰিয়ালভুক্ত। পিতৃ ঠেঙ্গাল সমাজ পৰিয়ালৰ মুখ্য ৰূপ। বাসুদেৱ গোঁসাইৰ দিনৰ পৰা ঠেঙ্গালসকলে বৈষ্ণৱ ধৰ্মৰ ভক্ত আৰু প্ৰাণহৰি গোঁসাইৰ দিনৰ পৰা আউনীআটী সত্ৰৰ শিষ্য। সেই অনুসৰি ঠেঙ্গালসকল ব্ৰহ্মা সংহতিৰ লোক। সত্ৰৰ পদ্ধতি অনুসৰি



Scanned by CamScanner

ঠেঙ্গাল কছাৰী সমাজত এটা বৃহৎ এলেকাৰ ভিতৰত বৰমেধি, কুৰিয়ামেধি, চুকমেধি, বৰ টেকেলা, টেকেলা আদি আৰু একোখন গাঁৱত নামঘৰ থকাৰ লগতে নামঘৰীয়া, ভড়ালী, পাঠক, বায়ন, দেউৰী, ঢুলীয়া ওজা আদি বৰমেধিৰ যোগেদি ঠেঙ্গাল কছাৰী সমাজৰ পৰিচালনা কৰি থাকে। তাৰ উপৰিও ঠেঙ্গাল কছাৰীয়ে আউনীআটী সত্ৰৰ শিষ্যত্ব ত্যাগ কৰি পিছত বৈষ্ণৱ ধৰ্মৰ আন আন প্ৰশাখাত ভৰ্তি হৈ জীৱন নিৰ্বাহ কৰা পৰিলক্ষিত হয়।

ঠেঙ্গাল কছাৰীসকলে তেওঁলোকৰ নিজা সামাজিক উৎসৱ, পূজা-পাতলসমূহ যথা নিয়মে পালন কৰাৰ দৰে অসমৰ জাতীয় উৎসৱ বিহুকো পৰম্পৰাগতভাৱে পালন কৰে। ব'হাগ বিহুৰ আগে আগে চ'ত মাহত ঠেঙ্গাল কছাৰীসকলে দিনত তৰাছিৰে আৰু ৰাতি তৰাছিৰা বিহু মাৰে। ব'হাগ বিহুত পুৰুষৰ বাদেও গাভৰু আৰু বুঢ়ীসকলে বেলেগ বেলেগ হৈ দলবান্ধি ঘৰে ঘৰে বিহু মৰাটো ঠেঙ্গাল সমাজত অতীজৰে পৰা দেখা যায়। ঠেঙ্গাল কছাৰীসকলৰ মাজত তৰাছিৰা বিহু, বোকা বিহু আৰু নৰাছিঙা বিহু প্ৰচলিত অসমীয়া সংস্কৃতিৰ পৰম্পৰাগত প্ৰথা অনুসৰি কাতি বিহু আৰু মাঘ বিহু যথা ৰীতিমতে পালন কৰি আহিছে।

ঠেঙ্গাল কছাৰীসকলে নামঘৰত বৰসবাহ, পানীতোলা সবাহ, হুঁচৰি গোৱা সবাহ, জন্মাষ্টমী তিথি, গুৰু দুজনাৰ তিথি আদি ৰাজুহুৱাভাৱে পালন কৰে। মৃতকৰ সৎকাৰ কৰাৰ ক্ষেত্ৰত ঠেঙ্গাল কছাৰীৰ সামাজিক বৰ কঠোৰ, প্ৰত্যেক পুৰুষেই গুৰুৰ ওচৰত শৰণ লোৱাটো বাধ্যতামূলক। ঠেঙ্গাল কছাৰীসকলে ব্ৰাহ্মণ পুৰোহিতৰ সহায়ত মৃতকৰ আত্মাৰ মুক্তি আৰু গৃহস্থৰ কুশলৰ অৰ্থে পূজা-অৰ্চনা কৰি দান-দক্ষিণাৰে মৃতকৰ কাজ-কৰ্ম সমাধা কৰা হয়। মৃতকৰ কাজত মৃদঙ্গীয়া গায়ন-বায়ন লগাটো ঠেঙ্গাল কছাৰী সমাজৰ নিয়ম। অৱশ্যে আজিকালি কোনো কোনো গাঁৱত মৃদঙ্গীয়া গায়ন-বায়নৰ অভাৱত খুলীয়া গায়ন-বায়ন লগোৱা দেখা যায়।

ঠেঙ্গাল কছাৰীসকলে মূলতঃ সদাশিৱৰ ভক্ত আছিল। তেওঁলোকে সদাশিৱৰ লগতে দুৰ্গাকো মানিছিল। সমজুৱাভাৱে ঠেঙ্গাল কছাৰীসকলে নিৰ্দিষ্ট ঠাইত বাইথ' পূজা, থানও দুৰ্গা পূজা, নদীত চুৱা উটুওৱা চাপৰিত গৰখীয়া ভোজ, নৈৰ ওচৰত চাউল খোৱা আদি সামাজিক পূজা-পাতল কৰে। এইসমূহৰ উপৰিও মৃতকক দিয়া, গোহালিত সদাশিৱৰ পূজা পতা, বেমাৰ-আজাৰ হ'লে শনি, ৰবি, ৰাহু মঙ্গলৰ চাউল খুওৱা, গুৰু পৰমান খুওৱা, আই চাউল খুওৱা, ভিতৰবন, অপচৰা সবাহ, গোপীনী সবাহ, লখিমী সবাহ, বাক দেৱতাৰ সকাম, গা-ডাঙৰীয়া পূজা, হাটুৱালী-বাটুৱালী পূজা, সৰস্বতী সবাহ, ভঁড়ালত লখিমী সুমুওৱা সবাহ, ভঁড়াল চোৱা সবাহ, আয়ুস তোলা সবাহ আদি অনেক পূজা পাতল, সকাম-নিকাম ঠেঙ্গাল কছাৰীসকলে পালন কৰে। দেৱ-দেৱীৰ লগতে ঠেঙ্গাল কছাৰীসকলে অনেক ভূত-প্ৰেতকো বিশ্বাস কৰে। ঠেঙ্গাল কছাৰীসকলে বৈষ্ণৱ ধৰ্ম গ্ৰহণ কৰাৰ পাছত এই দেৱ-দেৱীৰ পূজা কিছু পৰিমাণে কমিব ধৰিছে যদিও ঘৰখনত বেমাৰ-আজাৰ হ'লেই তাৰ পুনৰাবৃত্তি ঘটে।[২]

বিবাহ মানৱ সমাজৰ এক প্ৰাণময় উৎসৱ। ঠেঙ্গাল কছাৰীসকলৰ মাজত বিশেষকৈ চাৰি প্ৰকাৰৰ বিয়াৰ প্ৰচলন আছে। যেনে–

(১) পলাই যোৱা।

(২) আবিয়ে বিয়া।



Scanned by CamScanner

(৩)  বৰ বিয়া।

(৪)  তোলনি বিয়া।

ঠেঙ্গাল কছাৰীসকলৰ মাজত প্ৰচলিত বৰ বিয়া আৰু আবিয়ে বিয়াৰ বৈশিষ্ট্য সুকীয়া। ব্ৰাহ্ম অনুসাৰে বৈদিক প্ৰথাৰে হোমাগ্নি কৰি পতা বিয়াক বৰ বিয়া আখ্যা দিয়ে। সাধাৰণতে ৰাইজৰ আশীৰ্বাদ গ্ৰহণ কৰি, তেল-শলিতা জ্বলাই পতা বিয়া আবিয়ে বিয়া বুলি কোৱা হয়। দৰা-কইনা উভয় পক্ষৰ বিয়া বন্দৰস্তকাৰীক বাৰা বোলে। ছোৱালী খুজিবলৈ গৈ কইনাৰ ঘৰত প্ৰথম তামোল পাণ পেলোৱাক বাট চন্দা ভোজা দিয়া বোলে।

ঠেঙ্গাল কছাৰী জনজাতিৰ অধিকাংশ লোকে গাঁৱত বসবাস কৰি কৃষি কৰ্মৰ ওপৰত নিৰ্ভৰশীল হৈ জীৱন নিৰ্বাহ কৰে। ধান ঠেঙ্গালসকলৰ প্ৰধান খেতি। তেওঁলোকে গৰু, ম'হ, হাঁ-পাৰ, কুকুৰা, ছাগলী আদি পুহি সেইবোৰ বিক্ৰী কৰিও জীৱন নিৰ্বাহ কৰে। বাৰীত তামোল পাণ, জাতিগত বৈশিষ্ট্য বাঁহ খেতি, আলু-কচু অন্যান্য শস্যৰ ৭ খেতি কৰি আৰ্থিক সমস্যাৰ সমাধান কৰে। ঠেঙ্গাল পৰিয়ালত এৰী, মুগা, নুনি কম-বেছি পৰিমাণে আটাইবিলাক পৰিয়ালে পোহে। এইসমূহৰ পৰা সূতা কাটি কাপোৰ বৈ তাৰে দুই-এখন বিক্ৰী কৰি নিজৰ জীৱিকা উলিয়াই।

ঠেঙ্গাল কছাৰীসকলে বৃহত্তৰ অসমীয়া জাতি গঠনত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। তেওঁলোকৰ বহুসংখ্যকে অসমীয়া সমাজৰ বিভিন্ন ক্ষেত্ৰত অৱদান আগবঢ়াই আছে। ঠেঙ্গাল কছাৰীসকল পৰিশ্ৰমী, কষ্টসহিষ্ণু, শান্তিপ্ৰিয় আৰু সহজেই আনৰ লগত মিলি যাব পৰা গুণৰ বাবেই তেওঁলোকে যিকোনো জনজাতিৰ সমাজতে খাপ খাব পাৰিছে। যিকোনো সমাজতে খাপ খাব পৰাৰ লগতে বৈবাহিক সম্বন্ধ স্থাপনৰ ফলত তেওঁলোকৰ লোক সংস্কৃতিয়ে সেই পৰিয়াল আৰু সমাজৰ প্ৰচাৰ আৰু প্ৰসাৰতা লাভ কৰাৰ লগতে সমগ্ৰ অসমীয়া সংস্কৃতিলৈ বৰঙণি আগবঢ়াই আহিছে।



Scanned by CamScanner

## দ্বিতীয় অধ্যায়

### ২.০০ ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ ভৌতিক-সংস্কৃতি ঃ

পৰম্পৰাগত জীৱনৰ প্ৰত্যাহিক প্ৰয়োজনীয় সম্পদ ৰাজিয়ে ভৌতিক সংস্কৃতি ভৌতিক সংস্কৃতি লোক সংস্কৃতিৰ এটা অংগ আৰু ইয়াৰ মাজত বিশেষকৈ দৈনন্দিন জীৱনত ব্যৱহৃত সামগ্ৰীসমূহৰ কথাই সোমাই থাকে। ভৌতিক সংস্কৃতি হ'ল লোক সমাজত প্ৰচলিত পৰম্পৰা আৰু ৰক্ষণশীল ঐতিহ্যৰ পৰিসৰে সামৰি লোৱা মৌখিক কলা-কৌশল, পাৰদৰ্শিতা, পদ্ধতি আদিৰ বহিঃ প্ৰকাশ। ভেতিক সংস্কৃতি এফালে ৰক্ষণশীল পৰম্পৰা আৰু ব্যক্তিগত পৰিবৰ্তন। পৰম্পৰা অশ্ৰয়ী সমাজত পুৰুষ-স্ত্ৰী আদিয়ে কেনেকৈ ঘৰ-দুৱাৰ নিৰ্মাণ কৰে, কেনেকৈ কাপোৰ বোৰে, খাদ্য-দ্ৰব্য ৰান্ধে, যন্ত্ৰ-পাতি নিৰ্মাণ কৰে, সা-সৰঞ্জাম, প্ৰস্তুত কৰে আদি চৰ্চাই ভৌতিক-সংস্কৃতিৰ প্ৰধান উপজীৱ বিষয়।

ঠেঙ্গাল কছাৰীসকল ভৌতিক সংস্কৃতিৰ ক্ষেত্ৰত চহকী। ঠেঙ্গাল কছাৰীসকলে তেওঁলোকৰ জীৱন ধাৰণ প্ৰণালীত প্ৰাকৃতিক সম্পদ আহৰণৰ দ্বাৰা বিভিন্ন পাৰদৰ্শিতা প্ৰদৰ্শন কৰে। যিবোৰ ভৌতিক সংস্কৃতিয়ে সামৰি লয়। ভৌতিক সংস্কৃতিৰ বিষয়বস্তুৰ লোক-সংস্কৃতিৰ শ্ৰুতিগত আৰু দৃশ্যগত আচৰণৰ ওপৰত নিৰ্ভৰ কৰে। ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ ভৌতিক সংস্কৃতিত ভূমিকা বিচাৰ কৰিবলৈ গ'লে সাধাৰণতে লোকশিল্প, লোককলা, লোকস্থপতিবিদ্যা, লোকৰন্ধন প্ৰকৰণ আদি দিশসমূহ উল্লেখনীয়।

### ২.০১ ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ লোকশিল্প ঃ

লোকসমাজত নাৰী-পুৰুষসকলে জীৱনৰ প্ৰয়োজনীয়তাৰ প্ৰতি সচেতন হৈ পৰম্পৰাগতভাৱে কিছুমান শিল্পবস্তু সৃষ্টি কৰে। এই শিল্পবোৰকে লোকশিল্প বোলে। লোকসমাজত সাধাৰণতে স্বভাৱ শিল্পীৰে ভৰপূৰ। ঠেঙ্গাল কছাৰী সমাজতো ইয়াৰ ব্যতিক্ৰম নহয়। লোকশিল্পই ব্যক্তি জীৱন অৰ্থনৈতিক দিশতো বিশেষ ভূমিকা গ্ৰহণ কৰে। ঠেঙ্গাল কছাৰীসকল বিশেষ বিশেষ লোক শিল্পৰ বাবে বিখ্যাত। এইসমূহে অসমৰ লোকশিল্পৰ কেইবাটাও দিশত আপুৰুগীয়া আৰু গৌৰৱময় আখন দখল কৰি আছে। ঠেঙ্গাল কছাৰীসকলে এৰী পলু, নুনি পাটপলু, মুগা পলু পোহাৰ উপৰিও সূতা কাটি নানা বস্ত্ৰ প্ৰস্তুত কৰে। পলু পুহি সেইসমূহৰ পৰা সূতা কাটি উলিওৱা পদ্ধতিবোৰৰ মাজত তেওঁলোকৰ শিল্প কৰ্মৰ উমান পাব পাৰি।

### ১.১ এৰী পলু পোহা আৰু সূতা কটা পদ্ধতি ঃ

ঠেঙ্গাল কছাৰীসকলৰ বাবে এৰী পলু পোহা এক প্ৰিয় কাম। সৰহসংখ্যক ঠেঙ্গাললোকে এৰী পলু পোহা কামত পাকৈত। এৰী পলু বছৰত ৫-৬ বাৰ পুহিব পৰা যায়। ঠেঙ্গাল মহিলাসকলে অন্য ঘৰৰ পৰা এৰী পলুৰ সঁচ সংগ্ৰহ কৰে অথবা তেওঁলোকে নিজেও সঁচ ৰাখি থয়। তেওঁলোকে পোহা পলুৰ বাঁহবোৰৰ পৰা পখিলা ফুটিলে মাইকী পখিলাবোৰ সূতাত পকোৱাই উঘাত বান্ধি ওলোমাই থয়। মাইকী পখিলাই উঘাত কৰা কণীবোৰ টোপোলা কৰি থয় আৰু কণী ফুটিলে পলুবোৰক কুমলীয়া এৰাপাত দি ডলাত থোৱা হয়। পলু থোৱা ডলাখন প্ৰত্যেক দিনাই পৰিষ্কাৰ কৰা হয়। ক্ৰমান্বয়ে পলুবোৰ ডাঙৰ হৈ বুঢ়াপাত খাব হোৱাত খুটাত দাংমাৰী এৰাপাত থোক কৰি বান্ধি ওলোমাই থোৱা হয়। থোকত থোৱা এৰীপলুসমূহ পকা আৰম্ভ হ'লে থোকৰ ওপৰলৈ উঠি আহে। সেইসমূহক হাতত



Scanned by CamScanner

লৈ কাণৰ ওচৰত ঘহাই চালে খৰ্ক খৰ্ক শব্দ কৰিলে পলুপকা বুলি নিশ্চিত হয়। পকা পলুবোৰ পাচিত শুকান কলপাতত বাহ বান্ধিবলৈ দিয়ে। পাঁচৰ পৰা সাত দিনৰ ভিতৰত পলুৰ বাহবোৰ জালি ভাঙি এৰুৱাই দিয়ে তাৰপাছত বাহবোৰ পৰিষ্কাৰ ডলা, চালনীত মুকলিকৈ মেলি থৈ দিয়া হয়। বাহবোৰৰ লেটা পূৰঠ হ'লে কাপোৰৰ টোপোলা কৰি কলখাৰ দি পানীত সিজোৱা হয়। বাহবোৰ সিজোৱা পাছত সেইসমূহৰ পৰা সূতা উলিওৱা হয়।

এডাল সৰু বাহৰ গোটা মাৰিৰ মূৰত সংৰক্ষণ কৰি থোৱা এৰী পলুৰ বাহবোৰ হাতেৰে বহল কৰি পাতলকে মেলি গুজি সেই আঁহবোৰ নিৰ্দিষ্ট জোখৰ সূতা কৰি হাতেৰে টানি মিহি কৰি পেলায়। তেওঁলোকে টেপা গুজা মাৰিডাল দাঙি সূতাসমূহ টানি টাকুৰীত মেৰিয়াই যায়। টাকুৰীৰ পৰা সূতাডাল এৰাই নাযাবৰ বাবে শলিডালৰ ওপৰৰ মূৰত এটা খোপ কটা হয়। কাটি হোৱা সূতাবোৰ চেৰেকীত ভাঙি মুঠি মুঠি কৰে আৰু পাছত পুনৰ যঁতৰত পাক দি সূতাবোৰ কাপোৰ ববৰ বাবে উপযোগী কৰি তোলা হয়। এনেধৰণে ঠেঙ্গাল কছাৰীসকলে এৰী কাপোৰ ববৰ বাবে এৰী পলুৰ পৰা নিজেই সূতা প্ৰস্তুত কৰে।

**১.১ এৰী পলু সম্পৰ্কীয় লোকবিশ্বাস ঃ**

ঠেঙ্গাল কছাৰীসকলৰ এৰী পলু পোহাৰ ক্ষেত্ৰত কিছুমান লোকবিশ্বাস জড়িত হৈ আছে। ঠেঙ্গাল কছাৰীসকলে পলুৰ সঁচ নৈৰ ইপাৰৰ পৰা আনিলে সেই সঁচ ভাল হয় বুলি বিশ্বাস কৰে। তাৰোপৰি অধিক পলু হ'বলৈ নৈ পাৰ হওঁতে এটা পলুৰ বাহ নৈত বিৰ্সজন দিব লাগে বুলি বিশ্বাস কৰে। লোকবিশ্বাস মতে, তেওঁলোকে কণী ফুটা এৰী পলুৰ সঁচ ঘৰলৈ নানে, এনে বস্তু ঘৰলৈ আনিলে বিভিন্ন ৰোগ হয় বুলি তেওঁলোকে বিশ্বাস কৰে।

**১.২ মুগা পলু পোহা আৰু সূতা কটা পদ্ধতি ঃ**

ঠেঙ্গাল জনজাতিসকলে মুগা শিৱৰ দান বুলি বিশ্বাস কৰে। তেওঁলোক মুগা পলু পোহাত পাকৈত। মুগা পলু সাধাৰণতে চোম গছতেই অধিক পোহা হয়। এই পলুসমূহ চকৰি পেৰাত ভৰাই থোৱাৰ১৬-১৮ দিনৰ ভিতৰত চকৰি ফুটে। চকৰি ফুটাৰ পিছদিনা সেইসমূহ এজনী এজনীকৈ এডাল খৰিকাত ওলমাই থোৱা হয় আৰু তাৰ কিছু সময়ৰ পাছত চকৰাবোৰ আঁতৰাই দিয়াৰ ব্যৱস্থা কৰা হয়। চকৰিসমূহে কণী পৰা আৰম্ভ কৰাৰ লগে লগে সেইসমূহ ৰখা কোঠাটো আন্ধাৰ আৰু শব্দ প্ৰদূষণৰ পৰা দূৰত থাকিব লাগে। পলুবোৰক কিছুদিন কণী পাৰিব দি খৰিকাবোৰ এটা ঘূৰণীয়া ৰিঙত ওলোমাই ৰাখিলে কিছুদিনৰ পিছত কণী ফুটিব আৰু তেতিয়া খৰিকাবোৰ চোমগছৰ পাতৰ ওচৰত ডালত ওলমাই দিয়া হয়। মুগাৰ পূৰ্ণাংগ অৱস্থা হ'লে পাত খোৱা খৰকটীয়া হোৱা দেখা যায়। পলুবোৰ পকিবলৈ আৰম্ভ কৰিলে সন্ধ্যা তললৈ নামি আহে আৰু সেই পলুবোৰ টুকুৰিয়ালে টক্ টক্ শব্দ কৰিলে পকা বুলি জানিব পাৰি। শুকান ডাল-পাতত মুঠি-মুঠিকৈ বান্ধি একগোট কৰি ঘূৰণীয়া আকৃতিৰ জালিত পলুবোৰ বাহ কৰিবলৈ ওলমাই দিয়া হয়। ওলমাই দিয়া ৰচিডালত কলপাত বান্ধি দিব লাগে। সেই সময়ছোৱাত ডালিটো লৰচৰ নোহোৱাকৈ একে ঠাইত থ'ব লাগে। তাৰ কিছুদিনৰ পিছত জালিটো ভাঙি মুগাবোৰ উলিয়াই তাৰ পৰা ডাঠ আৰু পাতল বাছিব লাগে। ডাঠসমূহ সূতা কটিবৰ বাবে উপযুক্ত। ডালিটো ভঙাৰ পাছত মুগাসমূহ ৰ'দত আৰু ধোঁৱা দি লেটাবোৰ মাৰিব লাগে তেতিয়া সূতা কটাৰ বাবে সুবিধা হয়।[৩]



Scanned by CamScanner

মুগা সূতা কাটিবলৈ খাৰ, বীজণুৱা পদাৰ্থ আৰু ৰঙৰ প্ৰয়োজন। ঠেঙ্গাল কছাৰীসকলে নিজে খাৰনি প্ৰস্তুত কৰি সেই খাৰনিত মুগাবোৰ ২/৩ ঘণ্টা তিয়াই ৰখা হয়। মুগা সূতাৰ ৰং সলনি নহ'বৰ বাবে ৰং কৰা প্ৰয়োজন। ঔটেঙাৰ গুটি, টেপৰ টেঙাৰ ছাল আদি সূতাৰ জোখ অনুযায়ী সিজাওঁতে দিয়ে। জুই লগাই মুগাখিনি সিজোৱা হয় আৰু সেই মুগাখিনিৰ খোলাবোৰৰ সূতা ওলালে কেৰাহীখন নমাই ঠাণ্ডা কৰি খোলাবোৰৰ পাতল আৰু লেতেৰা অংশ পৰিষ্কাৰ কৰি আৱশ্যক অনুযায়ী কেইবাটাও খোলাৰ সূতা ভাঁউৰীত সংযোগ কৰা হয়। সূতা কাটোতে ভাঁউৰী মৰাত ঠেঙ্গাল কছাৰীসকল পাকৈত। তেওঁলোকে এখন হাতত সূতাৰ পাক ৰাখি অন্য এখন হাতেৰে ভাঁউৰী শাল ঘূৰোৱাৰ উপৰিও ভৰিৰে শলা ঘূৰাই সূতা কাটিব পাৰে। সূতা কাটি হৈ যোৱা শলখা মাৰিকেইডাল কেইদিনমান কলপাতেৰে বান্ধি থৈ দিয়া হয়। সূতা কাটিবৰ সময়ত পানীত তিয়াই লেটাইত সূতাবোৰ পকাই ভঙা হয় আৰু কাপোৰ ববৰ বাবে উপযোগী কৰি তোলা হয়।

মুগা সূতা কাটিবলৈ ব্যৱহাৰ কৰা সঁজুলিসমূহ হ'ল- এখন কাঁহী, এটা চৰিয়া, এটা মুগা, এডাল তাওমাৰি, দুটা দীঘল বাঁহৰ খুটি, দুটা দীঘল বাঁহৰ খুটা, এটা ভাঁউৰী, বাঁহৰ শলি এডাল, কঁৰাশলী, কেৰাহী আদি।

**১.৩ নুনি পাট পলু পোহা আৰু সূতা কটা পদ্ধতি ঃ**

ঠেঙ্গাল কছাৰীসকলৰ অন্যতম কৃষ্টি হ'ল নুনি পাট পলু পোহা। নুনি পাত পলুবোৰ অতি আলসুৱা বাবে সহজতে মৰি যায় যাৰ বাবে এই পলু পুহিবৰ বাবে অত্যাধিক পৰিষ্কাৰ পৰিচ্ছন্নতা আৰু সাৱধানতা অৱলম্বন কৰিব লগা হয়। সাধাৰণতে নুনি পলুৰ কণী ফুটাৰ পাছৰে পৰা এখন ডলাত কাগজ পাৰি কুমলীয়া নুনি গছৰ পাতবোৰ মিহি মিহিকৈ খাবলৈ দিয়া হয়। পলুবোৰ থোৱা ডলাখন ধুই বীজাণুমুক্ত কৰাৰ লগতে কোঠাটো পৰিষ্কাৰ কৰি লোৱা হয়। ক্ৰমান্বয়ে এই পলুবোৰ ডাঙৰ হোৱাত ডাঙৰ ঢাৰি পাৰি তাত কাগজ দি পাত খাবলৈ দিয়া হয়। নুনি পলুবোৰক শুকান পাত পৰিষ্কাৰ কৰি খাবলৈ দিয়া হয় কিয়নো তিতি থকা পাত খোৱালে এই পলুসমূহ নষ্ট হোৱাৰ সম্ভাৱনা থাকে। এই পলুবোৰ পকাৰ সময়ত গাৰ বৰণ মাখন ৰঙৰ হয় আৰু মূৰ দাঙি থৰ হৈ থাকে। তেতিয়া সেই পলুসমূহক চন্দুকীত বাহ বান্ধিবলৈ দিয়া হয় আৰু এই পলুবোৰে বাহ বন্ধাৰ তিনিদিনৰ ভিতৰত বাহবোৰ ভাঙি পাঁচদিনৰ ভিতৰত সূতা কটা হয়।

পকি উঠা পাঁচদিনৰ ভিতৰত সিজাই পাটপলুৰ সূতা কটা হয়। এই পলুৰ বাহবোৰ সিজাওতে লৱণি হিচাপে নুনি গছৰ সৰু ঠাল, আঁহ উলিয়াবৰ বাবে নুনি গছৰ সৰু ঠেঙুলি, বেঙেনা পাত, ফুটুকা পাত আদি ব্যৱহাৰ কৰে। এই বাহবোৰ সাধাৰণতে পৰিষ্কাৰ পানীত সিজায়। সূতা কাটিবলৈ বাবে ভাঁউৰী শাল পাতি লয়। গৰম পানীত সিজোৱা বাহবোৰ শলিমাৰি আনফালে খুটি মাৰি পথালিকৈ পাতি আঁত লগোৱা হয়। আঁত দিয়া চৰিয়া পানী একেৰাহে জোখৰ সূতা মেৰ খালে সূতা মেৰিওৱা শলাডাল খুলি সূতাবোৰ চেৰেকীৰে নেচা নেচাকৈ কাপোৰ ববৰ বাবে উপযোগী কৰি তোলা হয়।

**.৩.১ নুনি পাট পলু সম্পৰ্কীয় লোকবিশ্বাস ঃ**

ঠেঙ্গাল কছাৰীসকলৰ নুনি পলুবোৰ জলজলীয়া হৈ পৰিলে অন্য ব্যক্তিক চাবলৈ নিদিয়ে। বাহিৰৰ পৰা ফুৰি-চাকি অহা ব্যক্তিক পোনে পোনে এই পলুৰ থোৱা ঠাইলৈ সোমাব নিদিয়ে। কিয়নো বাহিৰৰ পৰা আহি পোনে পোনে সোমালে পলুবোৰৰ গাত বাহিৰা প্ৰভাৱ পৰে বুলি ঠেঙ্গাল কছাৰীসকলে বিশ্বাস কৰে।



Scanned by CamScanner

.১.৪ ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ বয়নশিল্প ঃ

বয়ন শিল্পত ঠেঙ্গাল মহিলাসকল অতি নিপুণ। অসম বোৱা কটাত চহকী ৰাজ্য। প্ৰতিটো জনগোষ্ঠীৰে বয়নশিল্পীৰ মাজত নিজা নিজা পৰিচয় ফুটি উঠা দেখা যায়। এৰী মুগা পুহি সেইসমূহৰ হপৰা সূতা কাটি কাপোৰ তৈয়াৰ কৰাত ঠেঙ্গাল কছাৰীসকল অতিকৈ পাকৈত ইয়াৰোপৰি তেওঁলোকে কঁপাহী সূতাৰে ভিন্ন কাপোৰ বৈ লয়। ঠেঙ্গাল মহিলাসকলৰ তাঁতশালখন হিয়াৰ আমঠু। সেয়ে ঠেঙ্গালসকলৰ ঘৰঘৰৰ মুধত এখন তাঁতৰ শাল দেখিবলৈ পোৱা যায়।

.৪.১ এৰী কাপোৰ বোৱা পদ্ধতি ঃ

ঠেঙ্গাল জনগোষ্ঠীৰ পৰম্পৰাগত জীৱনত এৰী কাপোৰৰ গুৰুত্ব অপৰিসীম। ঠেঙ্গাল মহিলাসকলে এৰী পলু ঘৰতে পুহি এৰী সূতা প্ৰস্তুত কৰি লয়। এৰী কাপোৰ ববৰ বাবে মহিলাসকলে কাটি লোৱা সূতা বাটি কাঢ়ি, ব' তুলি, দীঘলকৈ লোৱা সূতা টোলোথাত পকাই তাঁতশালত তুলি কাপোৰ বৈ লয়। খহতা সূতাবোৰ কাপোৰ ববৰ বাবে হয় বাবে সেইসমূহক পিছল কৰিবলৈ আহোন ব্যৱহাৰ কৰা হয়। তাহোনেৰে পিছল কৰি মহুৰাবোৰ তিয়াই এৰী কাপোৰ প্ৰস্তুত কৰা হয়।

এৰী কাপোৰ ঠেঙ্গালসকলৰ সন্মানীয় আৰু আপুৰুগীয়া সম্পদ। এৰী কাপোৰ জাৰকালি গাত মেৰিয়াই ল'বলৈ পুৰুষ-মহিলা উভয়ে ব্যৱহাৰ কৰে। পুৰুষৰ কাৰণে এৰী কাপোৰ ডাঙৰ আহল-বহলকৈ বোৱা হয়। ঠেঙ্গাল পুৰুষসকলে সাধাৰণতে দুকোণে চটিয়াই এৰী কাপোৰ গাত লয়।

.৪.২ মুগা কাপোৰ বোৱা পদ্ধতি ঃ

ঠেঙ্গাল কছাৰী মহিলাসকলে মুগা সূতাৰে বিভিন্ন কাপোৰ বোৱাত পাকৈত। মুগা কাপোৰ মুগা পলুৰ মুখৰ আঁহৰ পৰা পোৱা সূতাৰে বোৱা হয়। মুগা সূতাবোৰৰ পৰা সহজে আঁহ ওলায় সেইয়ে সূতাবোৰত পাতলকৈ ময়দাৰ মাৰ দিয়া হয়। মাৰ দিয়া মুগা সূতা শুকুৱাই লৈ ইডালৰ লগত সিডাল সূতা লাগি নাযাবৰ বাবে ঘনাই হাতেৰে কোৱাই থাকিব লাগে। সূতাবোৰ শুকুৱাই উঘাত পকাই তাঁত বাটি কৰি কাপোৰ ব'বলৈ আৰম্ভ কৰা হয়। মুগাৰ চেলেং ববৰ বাবে সূতাবোৰ অলপ ডাঙৰকৈ কাটে আৰু মুগাৰ চেলেঙৰ আগত ফুল বাচি দিয়ে। মুগা সূতাৰ পৰা আঁহ নোলাবৰ বাবে মহুৰা বাতোতে আৰু বওতে পানীত তিয়াই থাকিব লাগে।

ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ লোক সাজপাৰ হিচাপে অধিক মুগাৰ সাজেই পৰিধান কৰে। তেওঁলোকে মুগা সূতাৰে মুগাচেলেং, ৰিহা-চাদৰ-মেখেলা পুৰুষৰ চোলা-চুৰীয়া আদি প্ৰস্তুত কৰে ।

.৪.৩ নুনি পাট কাপোৰ বোৱা পদ্ধতি ঃ

ঠেঙ্গাল কছাৰী মহিলাসকলে পাট সূতাৰে বিভিন্নধৰণৰ কাপোৰ বোৱা দেখা যায়। ঠেঙ্গাল কছাৰীসকলে মুগা সূতাৰ লগত পাট সূতা মিহলি কৰিও চাদৰ-মেখেলা বয় তাৰোপৰি নিজে প্ৰস্তুত কৰা ৰং দি ৰঙীন কাপোৰ প্ৰস্তুত কৰে। পাট সূতাৰে কাপোৰ ববৰ বাবে সূতাবোৰত ভাতৰ মাৰ দিয়া হয়। পাট সূতাৰ পৰা তৈয়াৰ কৰা পাট কাপোৰতো ঠেঙ্গাল মহিলাসকলে নানান ধৰণৰ ফুল বাছি নিজা নিজা শিল্পৰ পৰিচয় দিয়ে।

.৪.৪ কপাহী সূতাৰ কাপোৰ বোৱা পদ্ধতি ঃ

ঠেঙ্গাল কছাৰীসকলে এৰী, মুগা, পাট সূতাৰ উপৰিও বিভিন্ন কপাহী সূতাৰে কাপোৰ তৈয়াৰ কৰে। কপাহী সূতাসমূহৰ ভিতৰত চাৰি অনীয়া সূতা, বৰ পকোৱা সূতা, চল্লিশৰ সূতা, ষাঠি সূতা, আশী



Scanned by CamScanner

সূতা উল্লেখযোগ্য। ইয়াৰে বেছিভাগ সূতা মাৰ দি কাপোৰ প্ৰস্তুত কৰা হয়। ঠেঙ্গাল কছাৰীসকলে সূতাবোৰ মাৰ দিয়াৰ লগতে প্ৰাকৃতিকভাৱে প্ৰস্তুত কৰা ৰং ৰঙীন কাপোৰ ববলৈ ব্যৱহাৰ কৰা দেখা যায়। তেওঁলোকে ঘৰত ব্যৱহাৰ কৰা চাদৰ-মেখেলা, চেলেং কাপোৰ ৰং দি বয়। তাৰোপৰি কপাহী সূতাৰে দৰা চেলেং, দুকঠীয়া গামোচা, সাধাৰণ গামোচা, ৰঙীণ টঙালী, বগা গায়নৰ টঙালী, কইনাৰ ৰঙীণ ৰিহা আৰু মেখেলা উপৰিও পুৰুষৰ চোলা-চুৰীয়া ইত্যাদি কাপোৰ বয়।[৪]

**.৪.৫ বয়ন শিল্পৰ লগত জড়িত ৰীতি-নীতি ঃ**

অন্যান্য জনগোষ্ঠীৰ দৰে ঠেঙ্গাল কছাৰীৰ পৰম্পৰাগত জীৱনত কিছুমান ৰীতি-নীতি মানি চলা পৰিলক্ষিত হয়। ঠেঙ্গাল কছাৰীসকলৰ তাঁতশাল আৰু বোৱা-কটাক লৈ কিছুমান ৰীতি-নীতি প্ৰচলন হৈ আহিছে। সাধাৰণতে ঠেঙ্গাল মহিলাসকলে বেছিভাগ তাঁত শনিবাৰে লগায় কিয়নো শনিবাৰে তাঁত ওহাঁলি উঠে আৰু সোনকালে তাঁত বৈ শেষ হয় বুলি তেওঁলোকে বিশ্বাস কৰে। তেওঁলোকৰ বিশ্বাসমতে সোমবাৰে তাঁত নাকাটে কাৰণ সেইবাৰত তাঁত চপাওঁতে অতি সাৱধান হয় কিয়নো তাঁত মেৰিয়াওতে চুটি দীঘল হ'লে শিপিনীগৰাকীৰ আয়ুস চুটি হয় বুলি ঠেঙ্গাল কছাৰীসকলৰ মাজত লোকবিশ্বাস প্ৰচলন আছে।

**.১.৫ ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ কুটীৰ শিল্প ঃ**

ঘৰতে নিজ হাতে সাধাৰণ সা-সঁজুলিৰে বস্তু উৎপাদন কৰা শিল্পক কুটীৰ শিল্প বোলে। ঠেঙ্গালী জনগোষ্ঠীৰ লোকসকল কুটীৰ শিল্পত যথেষ্ট পাকৈত বুলিব পাৰি। তেওঁলোকে ঘৰুৱা জীৱনত প্ৰয়োজনীয় সকলো সামগ্ৰী কাঠ-বাঁহ পাটী দৈ আদিৰে তৈয়াৰ কৰে। বাঁহ বেতেৰে-খৰাহী-পাচি, ডলা, কুলা, চালনী, জপা, পেৰা, পেটাৰী, বিচনী, ডুলি, কোৰ, দা-কুঠাৰ, হাতুৰী ইত্যাদি ঠেঙ্গাল কছাৰীসকলে নিজেই প্ৰস্তুত কৰে।

মাছ মৰা সঁজুলিসমূহ জাকৈ, জুলুকি, পল, চেপা, খোকা, ঠুহা, পঁচা, খালৈ, বৰশী, লাহনী, লেহেতি, চালনী, ডিঙৰা, হুকুমা, বান, দলঙা, উভতি ঘোকলং আদি তেওঁলোকে নিজে তৈয়াৰ কৰি লয়।

খেতি-বাতিৰ বিভিন্ন সা-সঁজুলিসমূহ যেনে- নাঙল, যুৱঁলি, মৈ, ওখোন, লাঢ়নি, হোলোঙা, জাপি ইত্যাদি ঠেঙ্গাল কছাৰীসকলে নিজে তৈয়াৰ কৰে।

বয়ন শিল্পৰ সঁজুলি বিশেষকৈ তাঁতশালৰ শালি, ছিৰি, উঘা, চেৰেকী, ব-চুঙা, ৰাঁচ, গৰকা, টাকুৰি, টোলোঠা, দোৰ পাতি, মাকো, কাঠিমাৰী, বিহমাৰী, বাঁকমুই, যঁতৰ, মহুৰা খৰাহী, চিৰি ইত্যাদি সঁজুলিসমূহ ঠেঙ্গাল পুৰুষসকলে নিজ হাতেৰে তৈয়াৰ কৰে। এইসমূহৰ উপৰিও ঢাৰি-পাটী, কঠ, বাঢ়নী, বাঁহী, টকা, গগনা, টোকাৰী, বীণ, সঁজুলি আদি নানান ধৰণৰ প্ৰয়োজনীয় সামগ্ৰী তেওঁলোকে প্ৰস্তুত কৰাত পাকৈত।

**২.০২ ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ লোককলা ঃ**

দৈনন্দিন জীৱনৰ প্ৰয়োজনীয়তাৰ দাবীতকৈ আনন্দ প্ৰদানৰ দাবীতকৈ আনন্দ প্ৰদানৰ দাবীয়ে প্ৰাধান্য লাভ কৰে সেই শিল্পক কলা আৰু যি কলা লোকজীৱনৰ অংশীদাৰসকলে এই সমাজক আনন্দ দিবৰ বাবে নিৰ্মাণ কৰে সেই কলাৰ নামেই লোককলা।[৫] অন্যান্য জনজাতিসমূহৰ দৰে ঠেঙ্গাল কছাৰীসকলেও তেওঁলোকৰ বিভিন্ন শিল্পকৰ্মৰ মাজত কিছুমান বিশিষ্ট গুণৰ পৰিচয় দেখা যায়। বিশেষকৈ



Scanned by CamScanner

বয়ন শিল্প নৈপুণ্যৰ মাজত ঠেঙ্গালসকলৰ কলাত্মক দিশটো বিচাৰযোগ্য। কাপোৰ ৰঙীণ কৰিব বাবে সূতাত ৰং কৰা, পাঁচ-দহহাত পৰ্যন্ত ফুলৰ চানেকি তৈয়াৰ কৰা আদিত কলাসুলভ মনৰ পৰিচয় পোৱাৰ উপৰিও সৌন্দৰ্য চৰ্চাত লোককলাৰ প্ৰত্যক্ষ কৰিব পাৰি। এইক্ষেত্ৰত লোক আভৰণ আৰু অলংকাৰো উল্লেখনীয়।

ঠেঙ্গাল কছাৰীসকলে প্ৰাকৃতিকভাৱে ৰং প্ৰস্তুত কৰি সূতাত ৰং দি ৰঙীণ কাপোৰ প্ৰস্তুত কৰিছিল। তেওঁলোকে সূতাত ৰং কৰিবলৈ ব্যৱহাৰ কৰা প্ৰাকৃতিক সম্পদ সমূহৰ ভিতৰত জেতুকা, বৰ্হমথুৰি, হালধি, কেহৰাজ, বিষল্যকৰণী, তেজমুই, টিকনি বৰুৱা, জালুক, মধুৰিপাত ইত্যাদি উল্লেখযোগ্য। তেওঁলোকে মিঠাতেল সূতা পিচল কৰাৰ উপৰিও ৰঙটো স্থায়ী কৰে। ঠেঙ্গালসকলে আশী আৰু যাঠি সূতাত বগৰী গছৰ ছাল বুলাই উজ্জ্বল মাখন ৰং কৰা হয়। সেইদৰেই হালধীয়া ৰঙৰ বাবে হালধি, সেউজীয়া ৰঙৰ বাবে মধুৰীপাত, জামুকপাত ব্যৱহাৰ কৰা হয়।

ঠেঙ্গাল কছাৰীসকলে নানা ধৰণৰ কাপোৰত সুন্দৰ সুন্দৰ ফুল বাচে। ঠেঙ্গাল মহিলাসকলৰ শিল্পকৰ্মৰ অপূৰ্ব নিদৰ্শন ফুলৰ চানেকি সমূহত পোৱা যায়। তেওঁলোকে প্ৰস্তুত কৰা ফুলৰ চানেকি সমূহৰ ভিতৰত সততে দেখা ফুলবোৰ হ'ল- বাবৰি গছ, লতা ধান, তৰাফুল, লতাবাবৰি ইত্যাদি। বৰ্তমানেও ঠেঙ্গাল কছাৰীসকলৰ পুৰণি নানা ধৰণৰ ফুলৰ চানেকিসমূহ সংৰক্ষিত কৰি ৰখা আছে।

ফুলৰ চানেকি তৈয়াৰ কৰা কাজী তিৰোতাৰ বাবে সম্ভৱ আছিল। সেয়ে কাপোৰত ফুল তুলিবৰ বাবে বিভিন্ন ঠাইলৈ নিয়া হৈছিল যাৰ ফলত আদান-প্ৰদান কৰোঁতে ফুলৰ চানেকিসমূহ নষ্ট হৈছিল। ফুলৰ চানেকিসমূহ সহজে নষ্ট নহ'বৰ বাবে ব তোলা শকত সূতাৰে ঠেঙ্গাল মহিলাসকলে চানেকিত ফুল তোলে।

সৌন্দৰ্য হ'ল কোনো ব্যক্তি, জীব, স্থান এনে এক বৈশিষ্ট্য যাৰ ফলত আনন্দ বা সন্তুষ্টি অনুভৱ হয়। সৌন্দৰ্য চৰ্চা নাৰীৰ এক স্বাভাৱিক লক্ষণ। ঠেঙ্গাল নাৰীসকলেও সৌন্দৰ্য সচেতনতাৰ পৰিচয় দাঙি ধৰা দেখা যায়। ঠেঙ্গাল মহিলাসকলে বাহ্যিকভাৱে নিজকে সজাই তুলিবৰ বাবে প্ৰায়ভাগ সামগ্ৰী ঘৰতে প্ৰস্তুত কৰে।

ঠেঙ্গালসকলে এটা সময়ত বিভিন্ন সাজ-পোছাক ব্যৱহাৰ কৰিছিল। তেওঁলোকৰ পোছাক আন আন কাৰকৰ বাবে ভিন্ন ভিন্ন আছিল। ঠেঙ্গালসকলৰ ৰজা, মন্ত্ৰী, বণুৱা বনুৱা শ্ৰেণীৰ মানুহৰ মাজত সাজপাৰৰ পাৰ্থক্য আছিল। তেওঁলোকৰ মহিলাসকলে বুকুত মেঠনি মাৰি মেখেলা পিন্ধি গাত চাদৰখন চটিয়াই ল য়। জীয়াৰীসকলে মেখেলা চাদৰ পিন্ধে। ৰিহা, মেখেলা আদিত ঠেঙ্গাল শিপিনীয়ে নানা তৰহৰ ফুল, ছবি আদি বাহি লয়। ঠেঙ্গাল মহিলাৰ সমাজত গুণাকৰা চাদৰ আৰু গাৰি দিয়া ৰিহাৰ প্ৰচলন লক্ষ্য কৰিব পাৰি।[৬] ঠেঙ্গাল কছাৰী মহিলাসকলে ওৰণি আৰু সেন্দুৰ ব্যৱহাৰ কৰে। ঠেঙ্গাল কছাৰীসকলে কইনা সজাবৰ বাবে ফুলাম ৰিহা, মেখেলা, চেলেং কাপোৰ নানা ৰঙীনকৈ বৈ উলিয়ায়। ৰঙা ৰঙৰ হাত দীঘল ব্লাউজ, হালধীয়া বা ৰঙা ৰঙৰ ফুলাম মেখেলা, ৰঙীণ ফুলাম ৰিহা আগলৈ ওলোমাই পিন্ধোৱা হয় আৰু চেলেং এখনেৰে সম্পূৰ্ণ গা ঢাকি মেৰিয়াই দিয়ে। ঠেঙ্গাল কছাৰী কইনা সাজযোৰে তেওঁলোকৰ শিল্পকৰ্মৰ বাহকৰূপে ধৰা যায়।

ঠেঙ্গাল কছাৰী মহিলাই দাঁতত বিশেষ ধৰণৰ এবিধ কলা ৰং কৰি লৈছিল যিটো দাঁত সৰি নোযোৱা পৰ্যন্ত থাকিছিল। এই প্ৰথা অসমৰ ঠাইতে প্ৰায় প্ৰচলিত আছিল আৰু এই প্ৰথাটোক দাঁতত 'কাই' কৰা বুলি কোৱা হৈছিল।[৭]



Scanned by CamScanner

শাৰীৰিক সৌন্দৰ্য বৰ্ধনৰ বাবে পৰিধান কৰা অলংকাৰ মহিলাসকলৰ হেঁপাহৰ বস্তু। পৰম্পৰাগতভাৱে ঠেঙ্গাল মহিলাসকলে কাণত কেৰু, থুৰীয়া, মুঠি খাৰু, গামখাৰু, পাতি খাৰু, ডিঙিত ৰঙা মণি, ঢোলবিৰি, জোনবিৰি, বানা বাখৰ খটোৱা আঙুঠি আদি পৰিধান কৰে। তেনেদৰে ঠেঙ্গাল পুৰুষসকলেও কাণত বিভিন্ন অলংকাৰ পৰিধান কৰিছিল।

শাৰীৰিক সৌন্দৰ্য চৰ্চাত প্ৰত্যক্ষ বিশেষ অংগৰে যতন লোৱা দেখা যায়। সাধাৰণতে ঠেঙ্গাল মহিলাসকলে পোন, ক'লা আৰু একোচা দীঘল অধিকাৰী হয়। সেই চুলিকোচা ঔটেঙাৰ বীজ, জবাফুলৰ পাত, তিল, কলখাৰ, খেৰখাৰ, মণিচালৰ গুটি আদিৰে ধুই কিচ্‌কিচিয়া কৰাৰ যত্ন কৰে। আনহাতে হাত-ভৰিৰ ছালৰ বিভিন্ন বেমাৰৰ পৰা পৰিত্ৰাণ পাবৰ বাবে জেতুকা ব্যৱহাৰ কৰে। তাৰোপৰি ঠেঙ্গাল মহিলাসকলৰ প্ৰিয় প্ৰসাধন। কোনো কোনোৱে ওঁঠত বৰ্হমথুৰি ঘঁহি সৌন্দৰ্য চৰ্চা কৰাৰ চেষ্টা কৰে।

ঠেঙ্গাল মহিলাসকলৰ দীঘল চুলিকোচাৰে তেওঁলোকৰ সৌন্দৰ্য বৃদ্ধি কৰে। এনেদৰে লোক আভৰণ, অলংকাৰ, বিবিধ প্ৰসাধৰ প্ৰয়োগ, অংগসজ্জাৰ জৰিয়তে ঠেঙ্গাল মহিলাসকলে কৰা সৌন্দৰ্য সাধনাৰ মাজতে তেওঁলোকৰ কিছু কৰ্ম দক্ষতাৰ উমান পাব পাৰি।

**২.০৩ ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ লোকস্থপতিবিদ্যা ঃ**

লোক সমাজত পৰম্পৰাগতভাৱে চলি অহা স্থপতিকলাৰ নামেই লোকস্থপতিবিদ্যা। লোকস্থপতিবিদ্যাৰ পৰিসৰৰ ভিতৰত লোক সমাজত পুৰুষ পৰম্পৰা নিৰ্মিত হৈ অহা ঘৰ-দুৱাৰ, গোহালি ঘৰ ইয়াৰ বিভিন্ন দিশ সামৰিব পাৰি। লোকসমাজত ঘৰ-দুৱাৰ বান্ধোতে প্ৰয়োগ কৰা কলা-কৌশল আদিয়েই লোকস্থপতিবিদ্যাৰ বিষয়বস্তু।[৮]

ঠেঙ্গাল কছাৰী সমাজ পিতৃপ্ৰধান। সেয়ে ঠেঙ্গাল কছাৰীসকলৰ সমাজখন পুৰুষৰ দ্বাৰা পৰিচালিত হয়। ঠেঙ্গালসকলে বসবাস কৰিবৰ বাবে বাঁহ-বেত, নৰা-খেৰ, জেঙৌ গছৰ পাত, টকৌপাত আৰু কাঠ ব্যৱহাৰ কৰিছিল। ঠেঙ্গাল কছাৰী সমাজত পুৰুষৰ লগতে নাৰীৰ স্থানো সমান আছিল। ধৰ্মীয় সামাজিক ক্ষেত্ৰত নামঘৰে ঠেঙ্গাল সমাজতো এক অভূতপূৰ্ব ভূমিকা গ্ৰহণ কৰিলে। একোখন গাঁৱত নামঘৰত থকা নামঘৰীয়া, ভড়ালী, পাঠক, বায়ন, দেউৰী আদি লোকে বৰমেধিৰ যোগেদি ঠেঙ্গাল কছাৰী সমাজৰ পৰিচালনা কৰিছিল।

অসমীয়া সমাজ জীৱনত অতীতৰে পৰা সাধাৰণ কাঠ-বাঁহেৰে আমাৰ ঘৰবোৰ তৈয়াৰ কৰা হয়। ঘৰসমূহ বনাওতে বিভিন্ন প্ৰকাৰৰ বাঁহ ব্যৱহাৰ কৰিছিল। ঠেঙ্গাল সকলো ইয়াৰ ব্যতিক্ৰম নহয়। তেওঁলোকৰ ঘৰবোৰৰ বিভিন্নধৰণৰ নাম আছে। পোনপ্ৰথমে বৰঘৰ নিৰ্মাণ কৰি তাৰ ভিতৰত বহুতো খোটালি নিৰ্মাণ কৰিছিল। ৰান্ধনিঘৰ, মাৰলঘৰ, ঢেঁকীশাল, চ'ৰাঘৰ, জুইশাল আদি নামেৰে নামকৰণ কৰিছিল। তাৰ উপৰিও ভঁৰাল, গোহালি আদি আন ঠাইত দিশ নিৰ্ণয় কৰি সুবিধাজনকভাৱে প্ৰস্তুত কৰি লৈছিল।[৯]

সাধাৰণতে ঠেঙ্গাল কছাৰীসকলে ঘৰ সাজোঁতে বহুতো নীতি-নিয়ম আৰু দিশ নিৰ্ণয় কৰি সাজিছিল। মাৰলঘৰ উত্তৰ-দক্ষিণমুৱাকৈ কৰি সজা হয়। বৰঘৰৰ লগত সংলগ্ন কৰি আখলঘৰ আৰু শোৱা ঘৰ সজা হয়। বৰঘৰ আৰু মাৰলঘৰ সংযোগ কৰা ঠাইত নাওৱা থাকে। সাধাৰণতে আখল ঘৰবোৰত খিৰিকীৰ ব্যৱস্থা নাথাকে। বৰঘৰ পূবা-পশ্চিমাকৈ সজা হয়। চ'ৰাঘৰত আলহীক বহিবলৈ



Scanned by CamScanner

দিছিল। সেই কোঠাৰ কাষতে জুইশাল থাকে। জুইশাল মজিয়াৰ এটা চুকত থাকে। গা-নোধোৱাকৈ মূল ৰান্ধনিঘৰত সোমাব নোৱাৰে বাবে তেওঁলোকৰ মাজত জুইশালৰ ব্যৱস্থা আছিল। আখলঘৰ অতি নীতি-নিয়মৰ মাজেৰে ৰখা হয়। গা নোধোৱাকৈ, ঋতুমতী নাৰীক আখল ঘৰত সোমাবলৈ দিয়া নহয়। ঢেঁকীশাল মাৰলঘৰৰ ওচৰত সুবিধা অনুসৰি বনোৱা হয়। ঠেঙ্গালসকলৰ গৃহজীৱনত ঢেঁকী এক এৰাব নোৱৰা অংগ। ঢেঁকীশালৰ বাবে চালি ঘৰও প্ৰস্তুত কৰি লোৱা হয়।[১০]

এইসমূহৰ উপৰিও কৃষিজীৱী লোকৰ বুকুৰ আপোন ভঁৰালঘৰ সাধাৰণতে পূব আৰু উত্তৰ দিশত বনোৱা হয়। ঠেঙ্গালসকলে সাধাৰণতে ঘৰৰ দক্ষিণ-পূবত গোহালিঘৰ সাজে। য'ত গৰু ৰখা হয়। তাৰ উপৰিও ঠেঙ্গালসকলে হাঁহ-কুকুৰা ৰাখিবৰ বাবে আছুতীয়াকৈ গৰাল বনায়।

ধান, মাহ, সৰিয়হৰ মৰণা মৰা কাৰ্য সমাপন কৰিবলৈ চোতাল ৰাখি ঠেঙ্গালসকলে তেওঁলোকৰ ঘৰটো বনায়। সেই চোতালখন মসৃণ আৰু সুন্দৰকৈ মচি থোৱা হয়। চোতালখন সাধাৰণতে দীঘ-প্ৰস্থ প্ৰায় সমান। এইসমূহৰ উপৰিও শৌচাগাৰ, স্নানাগাৰ সাধাৰণতে তেওঁলোকে খেৰেৰে সাজে। ঠেঙ্গালসকলে ঘৰৰ চাৰিওফালে ঢাপ মাৰি জেওৰা, জপনা, নঙলা দি সকলো প্ৰয়োজন পূৰণ হোৱাকৈ ঘৰ-দুৱাৰ, চৌহদটোক সুন্দৰকৈ ৰাখে।

বৰ্তমান সময়ত এই জীৱন গাথাৰো পৰিৱৰ্তন ঘটিছে। চালি দিয়া ঘৰৰ পৰিৱৰ্তে পকী ঘৰ নিৰ্মাণ কৰিবলৈ লোৱা হৈছে।

**২.০৪ ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ লোকৰন্ধন প্ৰকৰণ ঃ**

অসমীয়া সমাজত ৰন্ধন প্ৰকৰণ আৰু আহাৰৰ বিষয়ত গাঁৱলীয়া লোকসমূহ মূলতঃ ৰক্ষণশীল। অসমীয়া ৰন্ধন প্ৰণালীৰ ভিতৰত আৰৈ-ওখোৱা চাউলৰ ভাতেই হ'ল প্ৰধান আৰু আহু, শালি, বাওধানৰ খেতি কৰে। অসমত জনগোষ্ঠী ভেদে খাদ্যবস্তুৰ ৰন্ধন প্ৰকৰণত প্ৰণালীও পৃথক হয়। ঠেঙ্গাল কছাৰীসকলৰো খাদ্য প্ৰণালীতো জনজাতীয় কিছু কিছু বৈশিষ্ট্য পৰিলক্ষিত হয় যদিও খাদ্য ৰন্ধন প্ৰকৰণত নিজস্ব ৰীতি আছে। ঠেঙ্গাল কছাৰীসকলে পৰম্পৰাগত ৰুচিমতে খাদ্যসম্ভাৰ তৈয়াৰ কৰে তেওঁলোকৰ মূল খাদ্য হৈছে- ভাতৰ লগত খোৱা শাক-পাচলিৰ ব্যঞ্জন জা-জলপান ইত্যাদি। অন্য জনগোষ্ঠীসমূহৰ দৰে ঠেঙ্গাল কছাৰীসকলৰো প্ৰধান খাদ্য হ'ল ভাত। তেওঁলোকে সাধাৰণতে তিনি প্ৰকাৰৰ ভাত গ্ৰহণ কৰে।

(১) তপত ভাত বা গৰম ভাত

(২) কৰকৰা (জকৰা)

(৩) পঁইতা বা পন্তা ভাত

এই তিনিবিধ ভাতৰ ভিতৰত কৰকৰা আৰু পঁইতা ভাত ঠেঙ্গাল কছাৰীসকলৰ অতি প্ৰিয়। ঠেঙ্গাল কছাৰীৰ যিসকল লোক কৃষি কাৰ্যত নিয়োজিত হৈ থাকে তেওঁলোকে বাছ বিচাৰ নকৰাকৈ সকলো প্ৰকাৰৰ ভাত যি ধৰণে যি সময়ত পায় তেনেদৰে গ্ৰহণ কৰে।

**.২.১ শাক-পাচলি ঃ** ঠেঙ্গাল কছাৰীসকলে সাত্বিক ৰাজসিক আৰু তামসিক সকলোবিধৰ খাদ্যই গ্ৰহণ কৰে। তেওঁলোকৰ খাদ্যভাস সম্পূৰ্ণ জনজাতীয় বৈশিষ্ট্যপূৰ্ণ। ঠেঙ্গাল কছাৰীসকলে প্ৰধান খাদ্য ভাতৰ লগত বতৰ অনুসৰি উৎপন্ন হোৱা সকলো শাক পাচলি পৰম তৃপ্তিৰে গ্ৰহণ কৰে। এওঁলোকে শাক-পাচলি ৰান্ধোতে তেল আৰু মচলাৰ ব্যৱহাৰ কমকৈ কৰে। ঠেঙ্গাল কছাৰীসকলে লাও, কচু, বেঙেনা,



Scanned by CamScanner

কোমোৰা ইত্যাদি পাচলিৰ খেতি ঘৰতে কৰে। নানান খাদ্যসমূহৰ ভিতৰত লাও, জিকা, ভোল, তিতা কেৰেলা, ভাত কেৰেলা, হাতীভেকুৰি, কটাহী বেঙেনা, তিতা ভেকুৰি, অমিতা, কলডিল, ঢেঁকীয়া, মাটি কাদুৰী, ভেদাইলতা, ভেণ্ডী, গাজৰ, কবি, কচু, পুৰৈ শাক, চেঙমৰা, লাই-লফা আদি ঠেঙ্গাল কছাৰীসকলৰ প্ৰিয় খাদ্য। বিশেষকৈ পাতশাকৰ খাৰ শাক তেওঁলোকৰ প্ৰিয়। ইয়াৰোপৰি নাফু ঠেঙ্গালসকলৰ পৰম্পৰাগত খাদ্য। নাফু খোৱাটো জনগোষ্ঠীটোৰ পৰম্পৰাগত নিয়ম। বিহু সংক্ৰান্তিক ১০১ বিধ শাকেৰে ঠেঙ্গালসকলে শাক ভাজি খায়। এইসমূহৰ পৰা অনুমান কৰিব পাৰি যে প্ৰায়ভাগ শাক পাচলিৰ ব্যঞ্জনে ঠেঙ্গাল কছাৰীসকলৰ প্ৰিয়।

**.২.২ মাছ-মাংসৰ ব্যঞ্জন ঃ** মাছ-মাংস ঠেঙ্গাল কছাৰীসকলৰ প্ৰিয় খাদ্য। তেওঁলোকে ওচৰৰ খাল, বিল, নদী, পুখুৰী আদিত পোৱা সকলোধৰণৰ মাছ বিভিন্নধৰণে ব্যঞ্জন তৈয়াৰ কৰি খায় তেওঁলোকৰ এনে ব্যঞ্জনসমূহ অতি সোৱাদযুক্ত ঠেঙ্গালসকলে শুকান মাছ বজাৰৰ পৰা নানে তেওঁলোকে খাল বিলত বেছিকৈ মাছ পালে জুইৰ ওপৰত তাপ দি শুকুৱাই পিছৰ বছৰলৈকে খাই থাকে।

ঠেঙ্গালসকলৰ মাছৰ আঞ্জাৰ ভিতৰত শুকতি মাছ উল্লেখনীয়। এই মাছ শুকান কৰি বিশেষ এক পদ্ধতিৰে খুন্দি গুৰি কৰি চুঙা বা মাটিৰ টেকেলীত থৈ দিয়া হয়। তেওঁলোকে শুকতি মাছ পানী যোৱাই পাতত দি জলকীয়া, পিয়াঁজ, নহৰুৰে ভাজি বৰকচুৰ বঙ বা ক'লা ডাল কচুৰ লগত জলকীয়া শাক ইত্যাদি বিভিন্নধৰণে তৈয়াৰ কৰি খাদ্য গ্ৰহণ কৰে।

বিভিন্নধৰণৰ মাছ-মাংসৰ উপৰিও ঠেঙ্গালসকলে পোক-পৰুৱা জাতীয় কিছুমান খাদ্য গ্ৰহণ কৰে। বিশেষকৈ কুচিয়া, কেকোঁৰা, জিপাঙ্কৰী, নিংকৰি, কাছ, আমৰলি পৰুৱাৰ টোপ, চাকচন, মুগাৰ লেটা, এৰী, ফৰিং, বৰা, চেৰেলি, উইচিৰিঙা, কদো, বৰলৰ টোপ, খৰিৰ পোক, হুলুম, পাটপলু লেটা, আমপুতনি লেটা, চোৰাগছৰ পোক, কুটাংকৰি ইত্যাদিসমূহ তেওঁলোকৰ অন্যতম খাদ্য। কুঁহিয়াৰ জালুকীয়া, আমৰলি পৰুৱাৰ টোপ ঠেঙ্গালসকলৰ জাতীয় খাদ্য বুলিবও পাৰি। আমৰলি টোপসমূহ তেওঁলোকে নহৰু আৰু কণীৰ লগত ভাজি সেৰেকাৰ লগত খোৱাটো জনপ্ৰিয় ইয়াৰোপৰি গৰু বিহুৰ দিনা আমৰলি পোক খালে বসন্ত ৰোগ নিৰাময় হয় বুলি ঠেঙ্গালসকলৰ মাজত জনবিশ্বাস প্ৰচলিত আছে।

ঠেঙ্গালসকলে প্ৰায় সকলোধৰণৰ মাংস খায় মাছ খোৱাৰ দৰে মাংসও ঠেঙ্গালসকলে পাতত দি খায়। হাঁহ, কুকুৰা, গাহৰি, ছাগলী, পাৰ আদি উপৰিও অন্যান্য চৰাই আৰু পশু মাংসও খাদ্য হিচাপে তেওঁলোকে গ্ৰহণ কৰে। এইসমূহৰ ভিতৰত হাঁহ আৰু কুকুৰা ঠেঙ্গালসকলৰ প্ৰিয় এওঁলোকৰ প্ৰায়বোৰ সকাম-সবাহত হাঁহ প্ৰয়োজীয়।

শাক-পাচলি, মাছ-মাংস, পোক-পৰুৱা ব্যঞ্জনৰ উপৰিও ঠেঙ্গালসকলে আৰু অন্যান্য কিছুমান খাদ্য গ্ৰহণ কৰে। সেইসমূহৰ ভিতৰত খাবলি পচা কোমোৰাৰ খাৰৰ আঞ্জা, মাছৰ মূৰ দি পানীলাউৰ তৰকাৰি কচুৰ থোৰ, টেঙা দি কলমৌ, লচকচি শাকেৰে মাছৰ ব্যঞ্জন, চেঙমৰা লগত বামী, শিঙি তৰামাছ নেমুটেঙা দি। হাতী ভেকুৰী সৈতে হাঁহকণী ভজা ইত্যাদি বহুতো খাদ্যভাস ঠেঙ্গাল কছাৰীসকলে সোৱাদ লগাই ৰান্ধি গ্ৰহণ কৰে।

**.২.৩ জলপান, পিঠা-পনা প্ৰস্তুতকৰণ পদ্ধতি ঃ**

অন্যান্য জনগোষ্ঠীসমূহৰ দৰে ঠেঙ্গাল কছাৰীসকলেও বছৰৰ ভিন্ন সময়ত বা উৎসৱ অনুষ্ঠানে



Scanned by CamScanner

নানান পিঠা-পনা, জা-জলপানৰ ব্যৱস্থা কৰি গৃহস্থক তৃপ্তিৰে খোৱাই আৰু আলহীকো দিয়ে। ঠেঙ্গাল সমাজত মূলতঃ কোমল চাউল, চুঙা চাউল, চোৱাত দিয়া চাউল মুৰি আখৈ চিৰা হুৰুম সান্দহ, কৰাই, পিঠাগুৰি ভজা আদি প্ৰধান ইয়াৰোপৰি ঠেঙ্গালসকলে বিভিন্ন ধৰণে চাউলৰ পৰা পিঠা-পনা তৈয়াৰ কৰি গ্ৰহণ কৰে। বাৰিষা খেতি-বাতি উঠাৰ পিছত ঠেঙ্গাল মহিলাসকলে 'নাঙল ধোৱা পিঠা' প্ৰস্তুত কৰে। তাৰোপৰি ককাল বন্ধা পিঠা, সূতুলি পিঠা, টেকেলি পিঠা, পানী পিঠা, তেলপিঠা, কলপিঠা, ভাতপিঠা, বগা পিঠা, তিলপিঠা, ভুৰভুৰী পিঠা, ভকহা পিঠা, নাৰিকলৰ লাডু, তিলৰ লাডু ইত্যাদিসমূহ ঠেঙ্গালসমাজত প্ৰধান। তেওঁলোকে সাধাৰণতে পিঠাসমূহ বৰা চাউল, ভাত খোৱা চাউল আদিৰে প্ৰস্তুত কৰে।

**.২.৪ পানীয় প্ৰস্তুতকৰণ ঃ**

অতীজৰে পৰা ঠেঙ্গালসকলৰ মাজত সেৰেকাৰ প্ৰচলন চলি আহিছে। ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ সমাজত বছৰৰ বিভিন্ন উৎসৱ-পাৰ্বণ, কৃষিকৰ্মৰ বাবে যথেষ্ট পৰিমাণৰ সেৰেকাৰ বাবে মদৰ পিঠা প্ৰস্তুত কৰা হয়। এই মদৰ পিঠা প্ৰস্তুত কৰিবলৈ ঠেঙ্গাল মহিলাসকলে হাবি-জংঘলত ঔষধি গছ, লতা, শিপা আদি বিচাৰি-ফুৰা দেখা যায়। এই ঔষধি গছ-লতা বিলাকক ঠেঙ্গাল লোকসকলে জেং বোলে। হাবিৰ পৰা অনা জেংসমূহ ৰ'দত শুকুৱাই ঢেঁকীত খুন্দি চাউলৰ পিঠাগুৰি লগত সামান্য পানী দি সেৰেকা পিঠা তৈয়াৰ কৰে আৰু পিঠাটোৰ সোঁ মাজত মধ্য আঙুলিৰে চাপ বহুৱাই আৰু জুইৰ ধোঁৱাত বিহলঙনী দিয়া চালনিত শুকুৱাই থোৱা হয় এই জেং প্ৰস্তুত কৰোতে অতি কমেও চল্লিশ-পঞ্চাশ বিধৰ পৰা এশৰো অধিক গছ-বনৰ পাত লোৱা হয়। সেৰেকাসমূহ ঠেঙ্গাল লোকসকলে প্ৰস্তুত কৰি ধোঁৱা চাঙত গোটেই বছৰটোৰ বাবে থৈ দিয়ে।

ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ সমাজত সেৰেকা এক অপৰিহাৰ্য অংগ। বিভিন্ন উৎসৱ পাৰ্বণত এই সেৰেকা ব্যৱহাৰ কৰা হয়। ঠেঙ্গাল লোকসকলে উৎসৱ পাৰ্বণত তেওঁলোকৰ ঘৰলৈ অহা পুৰুষ অতিথিত সেৰেকা গ্ৰহণ কৰিবলৈ দিয়াটো এটা পৰম্পৰা। সেই সেৰেকাৰ লগত তেওঁলোকে আমৰলি টোপ, মেজাংকৰী গুটি, এৰিলেটা আদি খাবলৈ দিয়াৰ নিয়ম ঠেঙ্গাল কছাৰীসকলৰ মাজত প্ৰচলন আছিল।

**.৪.২ খাদ্যৰ লগত জড়িত লোকবিশ্বাসসমূহ ঃ**

অসমৰ অন্যান্য জনগোষ্ঠীৰ দৰে ঠেঙ্গালসকলেও বিভিন্নধৰণৰ খাদ্য গ্ৰহণ কৰা দেখা যায়। যদিও বিভিন্ন ক্ষেত্ৰত কিছুমান বাধা নিষেধ মানি চলা দেখা যায়। তেওঁলোকে মানি চলা বাধা নিষেধৰ মাজত হয়তো কিছু পৰিমাণে বিজ্ঞান সোমাই আছিল। তথাপিও সেইসমূহক উনুকিয়াই ঠেঙ্গালসকলৰ মাজত প্ৰচলিত কিছুমান লোকবিশ্বাস তলত আলোচনা কৰা হ'ল–

(১) পুহ মাহৰ পৰা চ'ত মাহলৈকে ঢেকীয়া খাব নালাগে। আকৌ চ'ত মাহত উৰহী, শাওণ মাহত কলডিল খাব নালাগে। ৰাতি তিতা বা টেঙা খাব নালাগে। টেঙা আৰু খাৰ একেলগে খাব নালাগে ইত্যাদি।

(২) নাফু খালে হৃদয়ৰোগ নহয়, আমৰলি টোপ খালে বংশ বৃদ্ধি হয় তাৰোপৰি ব'হাগ মাহত আমৰলি টোপ খালে বসন্ত নহয়। পুঠি মাছৰ মূৰ খালে চকুৰ শক্তি বাঢ়ে সৰুতে ল'ৰা-ছোৱালীয়ে ভীমকল খালে শক্তিশালী হয় ইত্যাদি।



Scanned by CamScanner

(৩)  শনিবাৰ আৰু মঙ্গলবাৰ মদৰ পিঠা জেং খুন্দা নহয় যদি খুন্দা হয় তেতিয়া খুন্দাতাৰ গাত বিষ লাগে বুলি বিশ্বাস কৰে ইত্যাদি সমূহ খাদ্য সম্পৰ্কীয় লোকবিশ্বাস ঠেঙ্গাল সমাজত প্ৰচলিত আছে।

তাৰোপৰি বিশ্বাস কৰা হয় যে, খোৱা সময়ত হুলস্থুল কৰিলে লক্ষ্মী যায়, ভঙা বাচনত খাদ্য নালাগে। খোৱা সময়ত মূৰে কপালে হাত দি খালে দুৰ্ভাগ্য নামি আহে, ভাত খাই উঠি লগে লগে পেট পিহিলে খোৱা খাদ্য কুকুৰৰ পেটলৈ যায় আকৌ খাবলৈ লোৱা খাদ্য হাতৰ পৰা পৰিলে বুটলি খাব লাগে নহ'লে শত্ৰু বাঢ়ে বুলি ঠেঙ্গাল লোকসমাজত প্ৰচলিত আছে।



Scanned by CamScanner

**সিদ্ধান্ত ঃ**

ঠেঙ্গাল কছাৰীসকলে ৰেচম শিল্প, বয়নশিল্প, কুটীশিল্প, লোককলা, লোকৰন্ধন, লোকস্থপতিবিদ্যা আদিৰ জৰিয়তে নিজৰ পৰিচয় দাঙি ধৰিছে। এই গৱেষণা পত্ৰখনিত ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ ভৌতিক সংস্কৃতিৰ বিষয়ে আলোচনা কৰা হৈছে। উক্ত আলোচনাৰ পৰা কিছুমান সিদ্ধান্তত উপনীত হ'ব পাৰোঁ। সেইসমূহ হ'ল–

(১) ঠেঙ্গাল কছাৰীসকলে ৰেচম শিল্প, বয়ন শিল্প আৰু কুটীশিল্পৰ জৰিয়তে সমাজত নিজৰ কৰ্মদক্ষতাৰ পৰিচয় দি আহিছে।

(২) ঠেঙ্গাল কছাৰীসকলে লোকৰন্ধন প্ৰকণৰ জৰিয়তে খাদ্যাভাসৰ আভাস দিয়াৰ লগতে জনগোষ্ঠীটোৰ স্বকীয়তা বহন কৰিছে।

(৩) ঠেঙ্গাল কছাৰীসকলে তেওঁলোকৰ বিভিন্ন শিল্পকৰ্ম যেনে- সূতাত ৰং কৰা, ফুলৰ চানেকি আদিৰ মাজত কিছুমান বিশিষ্ট গুণৰ পৰিচয় দাঙি ধৰে।



Scanned by CamScanner

**উপসংহাৰ ঃ**

অসমৰ জনগোষ্ঠীসমূহৰ ভিতৰত ঠেঙ্গাল কছাৰীসকল অন্যতম। 'অসমীয়া' হিচাপে নিজকে একাত্মক কৰি পেলোৱাৰ ক্ষেত্ৰত অসমৰ যি কেইটা জনগোষ্ঠীৰ নাম ল'ব পাৰি তাৰে ভিতৰত ঠেঙ্গালসকলৰ নামো উল্লেখযোগ্য। 'ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ ভৌতিক সংস্কৃতি' শীৰ্ষক বিষয়টোৰ প্ৰথম অধ্যায়ত ঠেঙ্গাল কছাৰীৰ পৰিচয় আৰু ইতিহাস দাঙি ধৰা হৈছে। অধ্যায়টোত ঐতিহাসিক তথ্য, 'ঠেঙ্গাল' নামৰ উৎপত্তি, ঠেঙ্গাল কছাৰীসকলৰ অৱস্থান, ঠেঙ্গাল কছাৰীসকলৰ সমাজ ব্যৱস্থাৰ পৰিচয় দিয়া হৈছে।

দ্বিতীয় অধ্যায়ত ঠেঙ্গাল কছাৰীৰ ভৌতিক সংস্কৃতিৰ বিষয়ে আলোচনা কৰা হৈছে। ভৌতিক সংস্কৃতিসমূহ যেনে– লোকশিল্প, যেনে– ৰেচম শিল্প,বয়ন শিল্প, কুটীৰ শিল্প, লোককলা, লোকস্থপতিবিদ্যা, লোকৰন্ধন প্ৰকৰণ আদি বিষয়ে আলোচনা কৰা হৈছে। এইসমূহৰ লগত জড়িত লোক বিশ্বাস সম্পৰ্কে এই অধ্যায়টোত উপস্থাপন কৰা হৈছে।



Scanned by CamScanner

প্ৰসংগসূচী ঃ


১. যোগেশ্বৰ বড়া ঃ চীনৰ পৰা দৈয়াঙলৈ, পৃ.-২১

২. যোগেশ্বৰ বড়া ঃ চীনৰ পৰা দৈয়াঙলৈ, পৃ.-২৫

৩. মণ্টু শইকীয়া ঃ ঠেঙ্গাল দৰ্পণ, ২০০২, পৃ.-৬২

৪. বৰ্ণালী শইকীয়া ঃ অসমৰ ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ সমাজ-সংস্কৃতিত নাৰীৰ ভূমিকাঃ পৰম্পৰা আৰু পৰিৱৰ্তন, গৱেষণা গ্ৰন্থ, পৃ.-১২২-১২৩

৫. নবীনচন্দ্ৰ শৰ্মা ঃ ভৌতিক সংস্কৃতি, পৃ.-২১৩

৬. নন্দ বৰা ঃ অসমৰ ঠেঙ্গাল কছাৰীৰ ইতিবৃত্ত, পৃ.-৪২

৭. মুকুট শৰ্মা ঃ ঠেঙ্গাল কছাৰী জীৱন আৰু সংস্কৃতি, পৃ.-৬৬

৮. নবীনচন্দ্ৰ শৰ্মা ঃ ভৌতিক সংস্কৃতি, পৃ.-২১৫

৯. মুকুট শৰ্মা ঃ ঠেঙ্গাল কছাৰী জীৱন আৰু সংস্কৃতি, পৃ.-২৭

১০. বৰ্ণালী চেতিয়া ঃ অসমৰ ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ সামাজিক আৰু সাংস্কৃতিক জীৱনঃ এটি সমীক্ষাত্মক অধ্যয়ন, গৱেষণা গ্ৰন্থ, পৃ.-৪৫




Scanned by CamScanner

## গ্ৰন্থপঞ্জী ঃ


ঠেঙাল, হেমেন্দ্ৰ (সম্পা.) ঃ ঠেঙ্গাল দৰ্পণ, স্মৃতিগ্ৰন্থ, সপ্তম প্ৰকাশ, মাৰ্চ, ২০০৭

শইকীয়া, নগেন ঃ গৱেষণা পদ্ধতিৰ পৰিচয়, কৌস্তুভ প্ৰকাশন, নতুন বজাৰ, ডিব্ৰুগড়-১ প্ৰথম প্ৰকাশ, ছেপ্টেম্বৰ, ১৯৯৬, নৱম মুদ্ৰণ মাৰ্চ, ২০০২

শইকীয়া, বন্তি (সম্পা.) ঃ ঠেঙ্গাল দৰ্পণ, স্মৃতিগ্ৰন্থ, সদৌ অসম ঠেঙ্গাল কছাৰী সংগঠন নৱম দ্বি-বাৰ্ষিক অধিৱেশন, তিতাবৰ, যোৰহাট, জানুৱাৰী, ২০০৯

শইকীয়া, মণ্টু (সম্পা.) ঃ ঠেঙ্গাল দৰ্পণ, স্মৃতিগ্ৰন্থ, সদৌ অসম ঠেঙ্গাল কছাৰী সংগঠন দ্বিতীয় দ্বি-বাৰ্ষিক অধিৱেশন, তিতাবৰ, যোৰহাট, এপ্ৰিল, ২০০২

শৰ্মা, নবীনচন্দ্ৰ ঃ অসমীয়া লোক সংস্কৃতিৰ আভাস, বাণী প্ৰকাশ, গুৱাহাটী, ২০১৮

শৰ্মা, নবীনচন্দ্ৰ ঃ ভৌতিক সংস্কৃতি সম্পা. ড° ভীমকান্ত বৰুৱা আদৰণি সমিতি, অসম সাহিত্য সভা, ষটষষ্ঠিতম অধিৱেশন, ডিব্ৰুগড়, ফেব্ৰুৱাৰী, ২০০১

শৰ্মা, মুকুট ঃ ঠেঙ্গাল কছাৰী জীৱন আৰু সংস্কৃতি, অসম বুক ট্ৰাষ্ট, গুৱাহাটী-৩, প্ৰথম প্ৰকাশ, জুলাই, ২০১৯

শইকীয়া, সৰোজ (সম্পা) ঃ ঠেঙ্গাল দৰ্পণ, স্মৃতিগ্ৰন্থ, সদৌ অসম ঠেঙ্গাল কছাৰী সংগঠনৰ ত্ৰয়োদশ দ্বি-বাৰ্ষিক অধিৱেশন ৩০ মাৰ্চ, ২০১৯

হাজৰিকা, পদ্ম ঃ ঠেঙ্গাল দৰ্পণ, স্মৃতিগ্ৰন্থ, সদৌ অসম ঠেঙ্গাল কছাৰী সংগঠনৰ চতুৰ্দশ দ্বি-বাৰ্ষিক অধিৱেশন, ১৫ মে', ২০২২




Scanned by CamScanner

| তথ্যদাতাৰ তালিকা | | |
|---|---|---|
| নাম | বয়স | গাঁও |
| যোগেশ্বৰ বড়া | ৭০ | ২ নং বেবেজীয়া কছাৰী গাঁও, তিতাবৰ, যোৰহাট। |
| সুচিত্ৰা কছাৰী | ৬০ | ২ নং বেবেজীয়া কছাৰী গাঁও, তিতাবৰ, যোৰহাট। |
| পুহিতা কছাৰী | ৬২ | কচুখাট, তিতাবৰ, যোৰহাট। |
| কনক কছাৰী | ৬৫ | কচুখাট, তিতাবৰ, যোৰহাট। |
| মিহিকান্ত কছাৰী | ৬৭ | কচুখাট, তিতাবৰ, যোৰহাট। |
| ফুল শইকীয়া | ৬৮ | চেকুৰীয়া, তিতাবৰ, যোৰহাট। |
| ডিম্বেশ্বৰ কছাৰী | ৮২ | লায়েট ন-চুঙী, তিতাবৰ, যোৰহাট। |
| ভুবন বড়া | ৬২ | ২ নং বেবেজীয়া কছাৰী গাঁও, তিতাবৰ, যোৰহাট। |



Scanned by CamScanner